Content includes AI-generated material

www.newsnextone.com
# ই-সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, MAY 23, 2025 ■ শুকুৰবাৰ, ৮ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৪৫ Guwahati, Assam ।। মূল্যঃ এটকা

## ছেপ্টেম্বৰত মুকলি হ'ব হিমন্তৰ ফ্লপ ছবি

ই-সংবাদ, ২২ মে': ১০ ছেপ্টেম্বৰত মুক্তি হিমন্ত বিশ্ব শৰ্মাই হাজাৰ মিছা কথা কোৱা ফ্লপ চিনেমাখন। ৮ পৃষ্ঠাত

### ৮ মাহৰ অন্তত জে'ল এৰিলে চুমি বৰাই

## ক'লা টি-চাৰ্ট, ক'লা টুপি... কৃষ্ণবৰ্ণা হৈ ওলাল 'ট্ৰেডিঙৰ ৰাণী' চুমি




ই-সংবাদ, ২২ মে' : অৱশেষত ৮ মাহ ১০ দিনৰ অন্তত মুকলি আকাশৰ তললৈ ওলাল বিতৰ্কিত নৃত্যশিল্পী চুমি বৰা। কালি ৩ নং পৃষ্ঠাত

### বাৰে বাৰে ভাষ্য সলনি, শৃংখলৰো প্ৰৱেশ

## থানালৈ তলব কৰি কেইবাঘণ্টীয়া জেৰা তনু শ্বাহীক

গ্ৰেপ্তাৰৰ বাবে এজেৰাইচিপিয়ে ৪৮ ঘণ্টা সময় ধৰি দিছিল আৰক্ষীক



ই-সংবাদ, দুলীয়াজান, ২২ মে' : অসমৰ জাতীয় দল-সংগঠনক চৰম অপমান কৰা সন্দেহজনক যুৱতী তনু শ্বাহীৰ স্থিতিক লৈ ৰাজ্যজুৰি ২ পৃষ্ঠাত

## অসুস্থ জুবিন! জ্বৰ-বমিৰ বাবে চিকিৎসাধীন

ই-সংবাদ, ২২ মে' : গুৱাহাটীৰ ঘৰত থকাৰ সময়তে কণ্ঠশিল্পী জুবিন গাৰ্গ হঠাতে অসুস্থ ২ নং পৃষ্ঠাত

## বিধায়কৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ

বেংগালুৰু, ২২ মে': পুনৰ এক জঘন্য অপৰাধত নাম সাঙোৰ খাইছে কৰ্ণাটকৰ বিজেপিৰ বিধায়ক ৭পৃষ্ঠাত

### তদন্তৰ চলেৰে 'বিশেষ' দলক ৰাজনৈতিক সুবিধা, ছুপ্ৰিম ক'ৰ্টৰ ধমক

# 'সীমা' অতিক্ৰম কৰা ইডিক ক'ৰ্টে দেখুৱালে আইনা



■ তামিলনাডুৰ টাছমেকৰ বিৰুদ্ধে সকলো অভিযান স্থগিত ৰাখিবলৈ ইডিক নিৰ্দেশ উচ্চতম ন্যায়ালয়ৰ

নতুন দিল্লী/মুম্বাই, ২২ মে': কেন্দ্ৰীয় তদন্তকাৰী সংস্থা ইডিক তীব্ৰ ধমক উচ্চতম ন্যায়ালয়ৰ। বুধবাৰে তামিলনাডু ৰাজ্য চৰকাৰৰ বিপণন সংস্থা টাছমেকৰ মুখ্য কাৰ্যালয়ত ইডিৰ তালাচী বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে দেশৰ সৰ্বোচ্চ ৩ পৃষ্ঠাত

## অস্ত্ৰ দেখুৱাই পুৰুষৰ ধন কাঢ়ি মহানগৰীত গ্ৰেপ্তাৰ ২ মহিলা

ই-সংবাদ, ২২ মে' : ৰাজধানী গুৱাহাটী মহানগৰীত চুৰি-ডকাইতি এতিয়া সাধাৰণ ঘটনা। মহানগৰীৰ ৪ নং পৃষ্ঠাত

## নুমলীগড়ত হানি-খুচি হত্যা ঢেকীয়াপতীয়া

### নিৰ্বিকাৰ বন বিভাগ



ই-সংবাদ, ২২ মে' : বিজেপিৰ দিনত মানুহেই নহয় জন্তুও আজি সুৰক্ষিত বুলি বিজেপিৰ ৫ নং পৃষ্ঠাত

## পুত্ৰৰ বাবে সংস্থাপন বিচাৰি মুখ্যমন্ত্ৰীলৈ পত্ৰ

### লুইতত জাঁপ দিলে পিতৃয়ে

ই-সংবাদ, ২২ মে' : সন্তান সংস্থাপনহীন হৈ থকাৰ বাবে হতাশগ্ৰস্ত পিতৃয়ে লুইতৰ বুকুত চৰম সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীলৈ এটা চোকা লিখি লুইতৰ বুকুত ৪ পৃষ্ঠাত

### ধোঁৱাচাঙত উঠিছে ৰাজ্যৰ শিক্ষা নীতি

## গুঃ বিশ্ববিদ্যালয়ৰ নাতিদূৰত মদৰ বিপণী!

ই-সংবাদ, ২২ মে' : অসমৰ প্ৰজ্ঞাৰ বৰঘৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপত বিদেশী মদ বিক্ৰীৰ দোকান ৮ পৃষ্ঠাত



## কাৰাবন্দী স্বাস্থ্য বিষয়া চেলিক্সক নিলম্বন গভৰ্ণৰৰ

গুৱাহাটী, ২২ মে': যৌন নিৰ্যাতনৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা তিনিচুকীয়াৰ কেটেটং বি পি ৭ নং পৃষ্ঠাত

## ৰাজস্থানৰ জনসভাৰ পৰা পাকিস্তানক সকীয়নি মোদীৰ



বিকানেৰ, ২২ মে': পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ এটা মাহ পূৰ্ণ হোৱাৰ দিনটোতে পাক সীমান্তৰ ৰাজস্থানৰ ৭ পৃষ্ঠাত

## জম্মু-কাশ্মীৰত পুনৰ শ্বহীদ বীৰ সেনা জোৱান

### কিষ্টৱাৰত সংঘৰ্ষত নিহত সন্ত্ৰাসবাদী

কিষ্টৱাৰ, ২২ মে': উপত্যকাত পুনৰ বিৰাজ কৰিছে উত্তেজনাই। জম্মু-কাশ্মীৰৰ কিষ্টৱাৰ জিলাৰ ছত্ৰ অঞ্চলৰ শিংপুৰাত ৫ পৃষ্ঠাত



## 'গুলীয়াই মাৰিলেও মাৰক, তথাপি নিদিও মাটি'

আদানীক বড়ো ভূমি প্ৰদানৰ তীব্ৰ বিৰোধিতা

ই-সংবাদ, ২২ মে' : বিটিআৰৰ জনজাতীয় লোকৰ ভূমি পুঁজিপতিক গতাব খোজা সিদ্ধান্তৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে বড়ো জাতি। ৪ নং পৃষ্ঠাত

## স্তব্ধ নৰ্থ-ইষ্টৰ বাণিজ্য!

### বাংলাদেশ সীমান্তত হাহাকাৰ ক্ষুদ্ৰ ব্যৱসায়ীৰ

ই-সংবাদ, গোলকগঞ্জ, ২২ মে': পেহেলগামত সংঘটিত নৃশংস সন্ত্ৰাসবাদী ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# থানালৈ তলব কৰি কেইবাঘণ্টীয়া জেৰা

তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এদিন পূৰ্বে অসমবাসীক ক্ষমা খুজি শংকৰজ্যোতি বৰুৱাৰ নাম এজাহাৰত দিয়া নাই বুলি উল্লেখ কৰিছিল যদিও সেই কথা মিথ্যা আছিল। কিয়নো এজাহাৰত শংকৰজ্যোতিৰ নাম উল্লেখ কৰিছিল বুলি প্ৰমাণিত হৈছে। শংকৰজ্যোতি বৰুৱা নিৰ্দোষী বুলি কোৱা ভাষ্য হঠাতে ডিলিট কৰিছিল তনু শ্বাহীয়ে। বাৰে বাৰে ভাষ্য সলনি হোৱা এইগৰাকী তনু শ্বাহী কোনো অজ্ঞাত পক্ষৰ দ্বাৰা পৰিচালিত হৈ আহিছে সেয়া ধ্ৰুৱপ। সেই শক্তিৰ শক্তিত বলীয়ান তনু শ্বাহী। শংকৰজ্যোতি বৰুৱাই এখন বৃহৎ নাটক ৰচনা কৰা দেখা গৈছে। তনু শ্বাহীৰ নেতৃত্বত প্ৰকৃত কথাটোক তল পেলাবলৈ বীৰ লাচিত সেনাই ৭ কোটি টকা দাবী কৰা বুলি প্ৰচাৰ কৰা হৈছে। তনু শ্বাহীৰ নাটকখন দিন দিনে বাঢ়ি গৈছে। ইয়াৰ মাজতে দুলীয়াজান থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাকহোৱাটছএপৰ জৰিয়তে ভাবুকি দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে খোদ শৃংখল চলিহাই। শৃংখল চলিহাই কৈছে যে মোক গ্ৰেপ্তাৰ কৰিব পাৰে। কিন্তু আন্দোলন অব্যাহত থাকিব লাগিব। এনেদৰে এতিয়া জাতীয় সংগঠনৰ নেতাক টাৰ্গেট কৰি লৈ অসমীয়া জাতিক অপমান কৰা তনু শ্বাহীক সুৰক্ষা দিয়া হৈছে। প্ৰায় ১০ খন এজাহাৰ দাখিল হোৱাৰ অন্তত যেতিয়া অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে ৪৮ ঘণ্টাৰ সময় ধৰি দিলে তেতিয়া আৰক্ষীয়ে সোধ-পোছ কৰিবলৈ আটক কৰিবলৈ বাধ্য হৈছে। দুলীয়াজানৰ বহু বিতৰ্কিত মেচাৰ্চ বি এন সিং এণ্ড চন্স নামৰ পেট্ৰ'ল পাম্প-কাণ্ডৰ অন্যতম চৰ্চিত তনু শ্বাহীক আজি বিয়লি আটক কৰে দুলীয়াজান আৰক্ষীয়ে। ১৭ মে'ত পেট্ৰ'ল পাম্পত সংঘটিত উত্তপ্ত পৰিস্থিতিৰ সময়ত শংকৰজ্যোতি বৰুৱাসহ আন একাংশ যুৱকক ফ্ৰীত খোৱা, দালাল আদি আপত্তিজনক বাক্য ব্যৱহাৰ কৰাত ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় আৰু কেইবাটাও সংগঠনে যুৱতীগৰাকীক গ্ৰেপ্তাৰৰ দাবী জনাই আহিছে। সমান্তৰালকৈ পেট্ৰ'ল পাম্প-কাণ্ডৰ বিৰুদ্ধে দুলীয়াজানত বিভিন্ন প্ৰতিবাদী কাৰ্যসূচীৰে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে সংগঠনসমূহে। আটাছু, অসমীয়া মহিলা মঞ্চ, আছু, আটছু, চুতীয়া ছাত্ৰ সন্থাকে ধৰি কেইবাটাও সংগঠনে ৪৮ ঘণ্টাৰ ভিতৰত তনু শ্বাহীক গ্ৰেপ্তাৰ নকৰিলে ২৩ মে'ত দুলীয়াজান বন্ধৰ আহ্বান জনায়। ২৩ মে'লৈ মাজত কেইঘণ্টামান বাকী থকা অৱস্থাত আজি বিয়লি নিজৰ বাসগৃহৰ পৰা দুলীয়াজান আৰক্ষীয়ে তনু শ্বাহীক সোধা-পোছাৰ বাবে আটক কৰি দুলীয়াজান থানালৈ আনে। তনু শ্বাহীক আটক কৰাৰ খবৰ বিয়পি পৰাৰ লগে লগে সন্ধিয়াৰে পৰা থানাৰ সন্মুখত দল-সংগঠনসহ বিভিন্ন লোকে ভিৰ কৰে। বাতৰি লিখাৰ পৰলৈকে দুলীয়াজান থানাতে তনু শ্বাহীক আৰক্ষী সোধা-পোছা অব্যাহত ৰাখিছে আৰু নিশা প্ৰায় ৯ বজাত ডিব্ৰুগড়ৰ আৰক্ষী অধীক্ষক আহি দুলীয়াজান থানাত উপস্থিত হৈছে। আইন-শৃংখলাজনিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি নিশাই যুৱতীগৰাকীক ডিব্ৰুগড়লৈ লৈ যোৱাৰ সম্ভাৱনা আছে। ইফালে, কাইলৈ দুলীয়াজান বন্ধৰ আহ্বান জনোৱা সংগঠনসমূহ নিজৰ স্থিতিত অটল আছে আৰু তনু শ্বাহীক গ্ৰেপ্তাৰ নকৰিলে দুলীয়াজান বন্ধ উঠাই নলয় বুলি স্পষ্ট কৰি দিছে। এই সংগঠনসমূহে আজি সমগ্ৰ দিনজুৰি চহৰখনৰ বিভিন্ন স্থানৰ বন্ধৰ সমৰ্থনত ব্যাপক প'ষ্টাৰিং কৰে। অৱশ্যে, নিশাই তনু শ্বাহীক গ্ৰেপ্তাৰ কৰিলে বন্ধ উঠাই লোৱাৰ সম্ভাৱনা আছে। ইফালে, বি এন সিং পেট্ৰ'ল পাম্প-কাণ্ডৰ উত্তেজনাৰ মাজতে এইবাৰ বীৰ লাচিত সেনাৰ বিৰুদ্ধে ধনদাবীৰ অভিযোগ উত্থাপন কৰিছে পেট্ৰ'ল পাম্পটোৰ কৰ্তৃপক্ষই। কালি সন্ধিয়া বি এন সিং এণ্ড চন্স নামৰ পেট্ৰ'ল পাম্পটোৰ নতুন লীজ প্ৰাপ্ত পক্ষৰ হৈ মিণ্টু শইকীয়া নামৰ এগৰাকী ব্যৱসায়ীয়ে এখন সংবাদ মেলৰ আহ্বান কৰে। ইউট'পিয়া হোটেলত আহ্বান কৰা এই সংবাদমেলত মিণ্টু শইকীয়াই বিগত ১০ এপ্ৰিলত বীৰ লাচিত সেনাই বি এন সিং পেট্ৰ'ল পাম্পত বৃহৎ পৰিমাণৰ ধন দাবী কৰাৰ অভিযোগ উত্থাপন কৰে। যোৰহাটত মহাবীৰ লাচিত বৰফুকনৰ স্মৃতিত ক্ষেত্ৰৰ নিৰ্মাণৰ বাবে ৬ কোটি ৯৪ লাখ ৩২ হাজাৰ দুশ টকাৰ বাজেটসহ পত্ৰখন প্ৰদান কৰা বুলি সংবাদ মেলত মিণ্টু শইকীয়া নামৰ ব্যক্তি গৰাকীয়ে অভিযোগ উত্থাপন কৰে। এই সন্দৰ্ভত কালি তেওঁ দুলীয়াজান থানাত এখন এজাহাৰ দাখিল কৰি বুলি সংবাদমেলত প্ৰকাশ কৰে। আনহাতে, তেওঁ এগৰাকী বিহাৰী সম্প্ৰদায়ৰ ব্যক্তিৰ সৈতে বি এন সিং পেট্ৰ'ল পাম্প লীজত লোৱা বুলি জানিবলৈ দিয়ে। ইফালে, আজি দুপৰীয়া লাচিত সেনাই এই সন্দৰ্ভত এখন সংবাদ মেলৰ আহ্বান কৰে। দুলীয়াজান মিডিয়া চেন্টাৰত আহ্বান কৰা সংবাদমেলত সংগঠনটোৰ কেন্দ্ৰীয় প্ৰচাৰ সচিব উৎপল দত্তই ধনদাবী কৰা নস্যাৎ কৰে। তেওঁ কয় যে মহাবীৰ লাচিত বৰফুকনৰ স্মৃতিত ক্ষেত্ৰৰ নিৰ্মাণৰ বাবে আৰ্থিক সাহায্য বিচাৰি তেওঁলোকে বি এন সিং পেট্ৰল পাম্পত পত্ৰ প্ৰদান কৰিছিল। উক্ত পত্ৰখনৰ ৰিচিভ কপি প্ৰদৰ্শন কৰা লগতে কিছু আৰ্থিক সাহায্য বিচৰা বুলি উল্লেখ থকা পত্ৰখন পাঠ কৰে উৎপল দত্তই। আনহাতে সাধাৰণতে এনেদৰে আৰ্থিক সাহাৰ্য বিচাৰি প্ৰেৰণ কৰা পত্ৰত যিদৰে বাজেট গাঁঠি দিয়া হয় তেনেদৰেই বাজেট গাঁঠি দিয়া বুলিও স্পষ্ট কৰি দিয়ে। লগতে তেওঁ কয় যে ১০ এপ্ৰিলত আৰ্থিক সাহাৰ্য বিচাৰি দিয়া পত্ৰ প্ৰদানৰ সময়ত বি এন সিং পেট্ৰ'ল পাম্প আৰ কে সিঙৰ দায়িত্বতহে আছিল। সেয়ে মিণ্টু শইকীয়া বা পৰৱৰ্তী সময়ত লীজ লাভ কৰা কিৰণ শ্বাহী নামৰ ব্যক্তিৰ লগত লাচিত সেনাৰ কোনো কথা হোৱা নাছিল বুলি প্ৰকাশ কৰে। সংবাদ মেলখনত বীৰ লাচিত সেনাই কাষত বহোৱাই লোৱা বি এন সিং পেট্ৰল পাম্পৰ পূৰ্বৰ মালিক ৰাজ কিশোৰ সিঙে লাচিত সেনাৰ ভাষ্য সত্য বুলি স্পষ্ট ভাষাৰে প্ৰকাশ কৰে আৰু লীজ শেষশেষ হোৱাৰ পিছত কাৰ্যালয়তে উক্ত পত্ৰখন থাকি যোৱাত মিণ্টু শইকীয়াৰ হাতত পৰা বুলি কয়। আনহাতে বীৰ লাচিত সেনাক বদনাম কৰিবলৈ মিণ্টু শইকীয়াই চেষ্টা চলোৱাৰ অভিযোগ উত্থাপন কৰি সংগঠনটোৱে কালি নিশাই দুলীয়াজান থানাত এজাহাৰ দাখিল কৰা বুলি সংবাদমেলত প্ৰকাশ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসুস্থ জুবিন! জ্বৰ-বমিৰ বাবে চিকিৎসাধীন

হোৱাত ততাতৈয়াকৈ ভঙাগড়ৰ নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰোৱা হৈছে। এটা বিশিষ্ট চিকিৎসকৰ দলে জুনি গাৰ্গক নিৰীক্ষণত ৰাখি চিকিৎসা প্ৰদান কৰি থকা বুলি জানিব পৰা গৈছে। নেমকেয়াৰ হাস্পতালত বিশিষ্ট চিকিৎসক ডাঃ হিতেশ ডেকাই জুবিন গাৰ্গ সুস্থ হৈ উঠিছে আৰু জুবিন গাৰ্গক জিৰণিৰ প্ৰয়োজন বুলি কয়। ইপিনে হঠাতে মৰমৰ শিল্পী জুবিন গাৰ্গ অসুস্থ হৈ পৰাত গুণমুগ্ধসকল চিন্তিত হৈ পৰিছে। জানিব পৰা মতে, খালিপেটে থকাৰ বাবে তীব্ৰ পেটৰ বিষ অনুভৱ কৰাত মাজনিশা হাস্পতালত ভৰ্তি কৰা হয়। 'ভাইমন দা'-ৰ প্ৰিমিয়াৰ চাই থকাৰ সময়তে জুবিনে হঠাৎ গেছৰ সমস্যা আৰু বমি হয়। অৱস্থা বেয়া হৈ পৰাত তেওঁক ততালিকে নেমকেয়াৰ হাস্পতাললৈ লৈ যোৱা হয়। বৰ্তমান তেওঁ স্থিৰ অৱস্থাত আছে আৰু কথা পাতি আছে। চিকিৎসকৰ মতে, জুবিন গাৰ্গ চিকিৎসকক সঁহাৰি দি আছে আৰু কাইলৈ হাস্পতালৰ পৰা যাব পাৰিব। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে জুবিনৰ স্বাস্থ্যৰ অৱস্থা জানিবলৈ নেমকেয়াৰ হাস্পতাল পৰিদৰ্শন কৰে। জুবিন আমাৰ সমাজৰ এক স্তম্ভ। আমি তেওঁৰ সোনকালে আৰোগ্য কামনা কৰিছো। তেওঁ বহুদিন ধৰি অক্লান্তভাৱে কাম কৰি আহিছে — বৰ্তমান অলপ বিশ্ৰামৰ প্ৰয়োজন। এতিয়াও তেওঁৰ বহু দিহা-দৰ্শন, সৃষ্টিশীল ভাবনাই সমাজক জগাব পাৰে। সাংস্কৃতিক আইকন জুবিনৰ স্বাস্থ্যৰ অৱনিত হোৱাত সমগ্ৰ ৰাজ্যত গুণমুগ্ধসকলে উদ্বেগ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত জুবিন গাৰ্গৰ সোনকালে আৰোগ্যৰ বাবে প্ৰাৰ্থনা আৰু শুভকামনাৰে উপচি পৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# ক'লা টি-চাৰ্ট, ক'লা টুপি... কৃষ্ণবৰ্ণা হৈ

জামিন লাভ কৰিছিল যদিও ব'ণ্ড জমা দিব নোৱাৰাত মুকলি আকাশৰ তললৈ ওলাই আহিব পৰা নাছিল যদিও আজি মুকলি আকাশৰ তললৈ ওলাই আহে। ক'লা মাস্ক, ক'লা টি-ছাৰ্ট, ক'লা পেণ্ট, ক'লা চশমা পিন্ধি জে'লৰ পৰা ওলাই ক'লা স্কৰপিঅ'ৰে ঘৰলৈ যায় চুমি বৰা। ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰৰ পৰা মুকলি আকাশৰ তললৈ ওলাই আহে। মেঘালয়ৰ পঞ্জীয়ন থকা এখন ক'লা স্কৰপিঅ'ত চুমি বৰা ঘৰলৈ ৰাওনা হয়। কালি চুমি বৰাক ডিব্ৰুগড় জিলাৰ বৰবৰুৱা আৰক্ষী থানাৰ অন্তিমটো গোচৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিন প্ৰদান কৰিছিল। ইতিমধ্যে চিবিআইৰ লগতে আন দুটা গোচৰত জামিন লাভ কৰিছে চুমি বৰাই। তৃতীয়টো গোচৰত জামিন লাভ কৰাৰ পিছতে আজি সন্ধিয়া কেন্দ্ৰীয় কাৰাগাৰৰ পৰা মুকলি আকাশৰ তললৈ ওলাল চুমি বৰা। চুমি বৰাক জামিন প্ৰদান কৰি উচ্চ ন্যায়ালয়ে কেলেংকাৰীত জড়িত থকাৰ সংযোগৰ প্ৰমাণ নোহোৱাৰ কথা কয়। চুমি বৰাই প্ৰায় ২২০০ কোটি টকাৰ ট্ৰেডিং প্ৰৱঞ্চনা কৰা বিশাল ফুকন আৰু চুমি বৰাৰ স্বামী তাৰ্কিক বৰাই ৩ মে'ত জামিন লাভ কৰিছে। ১ মে'ত অন্তিম গোচৰত জামিন লাভ কৰিছিল তাৰ্কিক বৰা আৰু বিশাল ফুকনে। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা আৰক্ষী থানাত ৰুজু ৮৫/২০২৪ নং গোচৰত দুয়োজনকে জামিন প্ৰদান কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ আদালতে। কিন্তু জামিন লাভ কৰা নাছিল চুমিয়ে। ২০২৪ চনৰ ১২ ছেপ্টেম্বৰত অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল চুমি বৰাক। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা আৰক্ষী থানা, দুলীয়াজান আৰক্ষী থানাৰ লগতে কেন্দ্ৰীয় তদন্ত সংস্থা চিবিআয়ে গোচৰ ৰুজু কৰিছিল। ট্ৰেডিং কেলেংকাৰীৰ মুখ্য অভিযুক্ত বিশাল ফুকনক ডিব্ৰুগড় আৰক্ষীয়ে ২০২৪ চনৰ ২ ছেপ্টেম্বৰত গ্ৰেপ্তাৰ কৰিছিল। বিশাল ফুকনক গ্ৰেপ্তাৰৰ পিছতে মেনেজাৰ বিশাল হাজৰিকাক গ্ৰেপ্তাৰ কৰিছিল। দুয়োজনকে গ্ৰেপ্তাৰৰ পিছতে নাম সাঙোৰ খাইছিল তথাকথিত অভিনেত্ৰী তথা নৃত্যশিল্পী চুমি বৰাৰ নাম। বিশাল ফুকন আছিল চুমি বৰাৰ পাতি লোৱা ভাতৃ। বিশাল ফুকনে ট্ৰেডিঙৰ নামত সংগ্ৰহ কৰা টকা চুমি বৰাৰ নামত খৰচ কৰাৰ অভিযোগ উঠিছিল। বিদেশ ভ্ৰমণ, পাৰ্টী, জয়পুৰত বিয়া পাতি ধন খৰচ কৰাৰ তথ্য লাভ কৰিছিল আৰক্ষীয়ে। বিশাল ফুকনক গ্ৰেপ্তাৰৰ কিছু দিন পিছতে এসপ্তাহ পলাই থকাৰ অন্তত চুমি বৰা আৰু তাৰ্কিক বৰাকো গ্ৰেপ্তাৰ কৰিছিল ডিব্ৰুগড় আৰক্ষীয়ে। ৰাজ্যত সংঘটিত ট্ৰেডিং কেলেংকাৰিৰ অন্যতম অভিযুক্ত বিশাল, তাৰ্কিক আৰু চুমিৰ বিৰুদ্ধে প্ৰায় ২২০০ কোটি টকা লুণ্ঠন কৰাৰ অভিযোগ উঠিছিল। চিকিৎসক, অভিযন্তা, ব্যৱসায়ী, অভিনেতা-অভিনেত্ৰী আদিৰ পৰা কোটি কোটি লৈ সেই টকা ট্ৰেডিঙত ব্যৱহাৰ কৰি দুগুণহাৰত ওভতাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল বিশাল ফুকনে। সেই টকাৰে পাতি লোৱা বায়েক চুমি বৰা আৰু চুমিৰ স্বামী ফটোগ্ৰাফাৰ তাৰ্কিক বৰাই বিলাসী জীৱন কটাইছিল বুলি অভিযোগ উঠিছিল। চুমি বৰা আৰু তাৰ্কিক বৰাই জয়পুৰত কোটি কোটি টকা খৰচ কৰি বিয়া পাতিছিল। ডুবাই ভ্ৰমণ কৰি বজাৰ-সমাৰ কৰি কোটি কোটি টকা উৰুৱাই দিছিল। ইমানেই নহয়, চুমি বৰাক পাটি লোৱা ভায়েক বিশালে ২ লাখ টকীয়া টেডী বিয়েৰ উপহাৰ দিছিল। আনৰ পৰা ট্ৰেডিঙৰ নামত সংগ্ৰহ কৰা টকাৰে কোম্পানী স্থাপন কৰিছিল। শেষত যেতিয়া একাংশ লোকক টকা ওভতাই দিব পৰা নাছিল তেতিয়া ডিব্ৰুগড় জিলাত ৰুজু হৈছিল গোচৰ। ডিব্ৰুগড় সদৰ আৰক্ষী থানাত ৰুজু ৩৫২/২৪, দুলীয়াজান আৰক্ষী থানাত ৰুজু ৩৫৪/২৪ নম্বৰ গোচৰ আৰু বৰবৰুৱা আৰক্ষী থানাত ৰুজু ৮৫/২৪ গোচৰৰ তদন্তৰ দায়িত্ব চিবিআইক অৰ্পণ কৰিছিল ৰাজ্য চৰকাৰে।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# 'সীমা' অতিক্ৰম কৰা ইডিক ক'ৰ্টৰ

আদালতে। মুখ্য ন্যায়াধীশ বি আৰ গভাই আৰু ন্যায়াধীশ এ জি মাছিহৰ বিচাৰপীঠে স্পষ্ট ভাষাত কয়, "আপোনাৰ ইডিয়ে সকলো সীমা অতিক্ৰম কৰিছে। নিগমৰ বিৰুদ্ধে কেনেকৈ অপৰাধমূলক গোচৰ ৰুজু কৰিব পাৰি?" আজি উচ্চতম ন্যায়ালয়ত ইডিৰ হৈ উপস্থিত থাকে অতিৰিক্ত ছলিচিটৰ জেনেৰেল এছ ভি ৰাজু। মুখ্য ন্যায়াধীশ গাভাইয়ে তেওঁক কয়, "আপুনি দেশৰ ফেডাৰেল গাঁথনি উলংঘা কৰিছে।" টাছমেক আৰু ৰাজ্য চৰকাৰে দাখিল কৰা আবেদন গ্ৰহণ কৰি আদালতে ইডিৰ তদন্ত আৰু আপাততঃ অনুসন্ধান স্থগিত ৰখাৰ নিৰ্দেশ দিয়ে। অৱশ্যে সমগ্ৰ বিষয়টো এতিয়াও সমাধান হোৱা নাই। ৰাজ্যৰ হৈ উচ্চতম ন্যায়ালয়ত যুক্তি আগবঢ়ায় জ্যেষ্ঠ অধিবক্তা কপিল ছিবালে। তেওঁ কয়, 'টাছমেক হৈছে সুৰা বিক্ৰীৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা চৰকাৰী নিগম। ২০১৪ চনৰ পৰা ২০২১ চনৰ ভিতৰত ৰাজ্য চৰকাৰে নিজেই নগদ ধন লোৱা লোকৰ বিৰুদ্ধে ৪১ খন এফআইআৰ দাখিল কৰিছিল। কিন্তু ইডিয়ে ২০২৫ চনত আহি সমগ্ৰ টাছমেক মুখ্য কাৰ্যালয়ত তালাচী চলায়, বিষয়াসকলৰ ফোন আৰু ডিভাইচ জব্দ কৰে আৰু সকলো তথ্য ক্ল'ন কৰে। এয়া গোপনীয়তাৰ উলংঘা।" এই পৰ্যায়ত চিজেআয়ে কয়, "যদি ব্যক্তিজনৰ বিৰুদ্ধে এফআইআৰ হয়, তেন্তে আপুনি তেওঁৰ তদন্ত কৰিব পাৰে। কিন্তু আপুনি নিগমৰ বিৰুদ্ধে কেনেকৈ অপৰাধমূলক অভিযোগ উত্থাপন কৰিব পাৰে?" টাছমেকক প্ৰতিনিধিত্ব কৰা অধিবক্তা মুকুল ৰোহাটগীয়ে অভিযোগ কৰে যে ইডিয়ে টাছমেকৰ বিষয়াসকলৰ ব্যক্তিগত ফোন ডাটা ক্ল'ন কৰিছিল, যিটো গোপনীয়তাৰ গুৰুতৰ উলংঘা। ইডিৰ হৈ অতিৰিক্ত ছলিচিটৰ জেনেৰেল এছভি ৰাজুৱে পৃথক যুক্তি আগবঢ়ায় যে এইটো ১০০০ কোটি টকাৰ দুৰ্নীতিৰ গোচৰ। কিন্তু আদালতে প্ৰশ্ন উত্থাপন কৰে যে এই বিষয়ত ৰাজ্যই নিজেই এফআইআৰ দাখিল কৰিছে, গতিকে ইডিয়ে কিয় হস্তক্ষেপ কৰিলে? চিজেআয়ে কয়, "আপোনালোকৰ অনুমান কৰা অপৰাধ ক'ত? আপুনি কি ভিত্তিত তদন্ত কৰি আছে?" কিন্তু ইডিয়ে জনোৱা মতে এই গোচৰত ডিষ্টিলেৰী কোম্পানীসমূহে টকা গোপন কৰি ৰাখিছিল আৰু টাছমেকৰ পৰা অতিৰিক্ত যোগান সংগ্ৰহ কৰিছিল। ইডিৰ মতে, দুৰ্নীতিৰ সৈতে টাছমেকৰ বিষয়াসকল প্ৰত্যক্ষভাৱে জড়িত হোৱাৰ প্ৰমাণ পোৱা গৈছে। ইফালে, টাছমেকে উচ্চ ন্যায়ালয়ত দাবী কৰে যে ইডিয়ে কোনো 'নিৰ্ভৰযোগ্য কাৰণ' নিদিয়াকৈ তালাচী চলাইছিল, যিটো সম্পূৰ্ণ অবৈধ। ইয়াৰ উপৰি টাছমেক কৰ্তৃপক্ষই এই অনুসন্ধানক আগন্তুক তামিলনাডু বিধানসভা নিৰ্বাচনৰ সৈতে সংযোগ কৰে। ইডিয়ে নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক উদ্দেশ্যত অনুসন্ধান চলাই তেওঁলোকৰ ভাবমূৰ্তি কলংকিত কৰিবলৈ চেষ্টা কৰা বুলি অভিযোগ উত্থাপন কৰে। ২৩ এপ্ৰিলত মাদ্ৰাজ উচ্চ ন্যায়ালয়ে ইডিৰ তালাচী বন্ধ কৰিবলৈ টাছমেক আৰু ৰাজ্য চৰকাৰৰ আবেদনৰ কোনো উত্তৰ দিয়া নাছিল। উচ্চ ন্যায়ালয়ে কয় যে তালাচীৰ সময়ত বিষয়াক আটক কৰা বা সোধা-পোছা কৰাটো এটা প্ৰক্ৰিয়াৰ অংশ আৰু ইয়াৰ দ্বাৰা মৌলিক অধিকাৰ খৰ্ব নহয়। যদিও উচ্চতম ন্যায়ালয়ৰ এই অন্তৰ্বৰ্তীকালীন ৰায়দানৰ পৰা টাছমেকে কিছু সকাহ পাইছে, তথাপি বিভিন্ন মহলে কেন্দ্ৰ আৰু ইডিৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰিবলৈ আৰম্ভ কৰিছে। ইডিৰ দাবী যে তদন্তত বহু ৰাজনৈতিক নেতাৰ নাম জড়িত হৈ পৰিছে আৰু ৰাজ্য চৰকাৰে তেওঁলোকক সুৰক্ষা প্ৰদান কৰিছে। এই গোচৰৰ পৰৱৰ্তী শুনানিৰ বাবে ইডিলৈ জাননী প্ৰেৰণ কৰি আদালতে কয় যে টাছমেকৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিব। অৱশ্যে আগন্তুক শুনানিৰ ওপৰত নিৰ্ভৰ কৰিব তদন্তৰ ভৱিষ্যৎ।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অস্ত্ৰ দেখুৱাই পুৰুষৰ ধন কাঢ়ি মহানগৰীত

নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নোহোৱা হৈছে। এইবাৰ গুৱাহাটী মহানগৰীত ডকাইতিত নামিছে একাংশ মহিলা। নিশা হ'লেই একাংশ মহিলাই ডকাইতিত নামে। মহানগৰীৰ গণেশগুৰি অঞ্চলত কালি নিশা এজন যুৱকক ডকাইতি কৰিছিল দুই সন্দেহজনক মহিলাই। মহিলাই এগৰাকী যুৱকক ছুৰীৰে ভয় দেখুৱাই লুটি নিছিল। যুৱকৰ এজাহাৰৰ ভিত্তিত ইতিমধ্যে দুই সন্দেহজনক মহিলাক দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। অভিযুক্ত জানমণি বেগম আৰু অমিনা বেগম ওৰফে মঞ্জু মালহোত্ৰাক গ্ৰেপ্তাৰ কৰিছে। যুৱকজন হৈছে চাহিল বাছফৰ। কৰ্মসূত্ৰে গুৱাহাটীত থাকে যদিও প্ৰকৃত ঘৰ তিনিচুকীয়াত। জানিব পৰা মতে, কালি নিশা প্ৰায় ১০ বজাত গণেশগুৰিৰ পদপেথেৰে চাহিলে গৈ আছিল। তেনে সময়তে জানমণি বেগম নামৰ মহিলাই প্ৰথমে মিঠা হাঁহি মাৰি চাহিলৰ কাষলৈ আহে। জানমণি বেগমৰ সংস্পৰ্শলৈ অহাৰ কিছু সময়ৰ পিছতে অমিনা বেগম ওৰফে মঞ্জু মালহোত্ৰা নামৰ আন এগৰাকী মহিলা আহে। দুয়োজনে চাহিলক ভয়-ভাবুকি দি কিছু নিৰ্জন ঠাইলৈ নিয়ে। তাৰ পিছতে ফচাই দিয়াৰ ভয়-ভাবুকি দি ছুৰী দেখুৱাই। চাহিলৰ সৈতে যি টকা আছে সকলো উলিয়াই দিবলৈ কয়। ভয়তে চাহিলে লগত থকা ১৮ হাজাৰ টকা উলিয়াই দুয়ো মহিলাক প্ৰদান কৰি ততাতৈয়াকৈ আঁতৰি যায়। পিছত চাহিলে দিছপুৰ আৰক্ষী থানাত উপস্থিত হৈ ঘটনাৰ বিষয়ে অৱগত কৰাৰ লগতে এখন এজাহাৰ প্ৰদান কৰে। অভিযোগৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই দুই মহিলাক নিশাই গ্ৰেপ্তাৰ কৰে। লগতে নগদ ১৮ হাজাৰ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ঘটনা সন্দৰ্ভত গুৱাহাটী পূব জোনৰ উপ-পুলিচ আয়ুক্ত মৃণাল ডেকাই নিশ্চিত কৰিছে যে তিনিচুকীয়াৰ চাহিল বাছফৰ নামৰ এজন যুৱক গুৱাহাটীলৈ কৰ্মসূত্ৰে আহিছিল। নিশা প্ৰায় ১০ বজাত গণেশগুৰি অঞ্চলত জানমনি বেগম নামৰ এজনী মহিলাৰ সংস্পৰ্শলৈ আহে আৰু জানমণিৰ সৈতে যাওঁতে কিছু সময়ৰ পাছত অমিনা বেগম নামৰ আন এজনী মহিলাই ছুৰীৰ ভয় দেখুৱাই তেওঁৰ পৰা ১৮ হাজাৰ টকা লুটি লৈ যায়। পিছত থানাত অভিযোগ দাখিল কৰে আৰু এজাহাৰৰ ভিত্তিত দিছপুৰ থানাৰ এটা দলে অভিযুক্তক আটক কৰি ধন উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'গুলীয়াই মাৰিলেও মাৰক, তথাপি নিদিও

পৰ্বতঝোৰা বাঁশবাৰীত তাপ-বিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ নামত আদানি গ্ৰুপক ৩,৬০০ বিঘা ভূমি প্ৰদান কৰিবলৈ আগবাঢ়িছে। এই খবৰে বড়োভূমিৰ ৰাইজক ক্ষুণ্ণ কৰিছে। ভূমি প্ৰদান কৰাৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদ কৰি গৈছে। কিন্তু এই পৰ্যন্ত ৰাজ্য চৰকাৰ, পৰিষদীয় চৰকাৰে গুৰুত্ব দিয়া নাই। ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিৰ সহায়ত ৰাইজে প্ৰতিবাদ কৰি গৈছে যদিও আদানিক বিটিআৰৰ ভূমি গতাবলৈ সাজু হৈছে অসম চৰকাৰ আৰু প্ৰমোদ বড়োৰ পৰিষদীয় চৰকাৰ। তাপ-বিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰাৰ বাবে আদানি গ্ৰুপক প্ৰায় ৩,৬০০ বিঘা ভূমি প্ৰদান কৰাৰ বাবে চৰকাৰে প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰিছে। কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰাৰ বাঁশবাৰীৰ প্ৰায় ৩,৬০০ বিঘা মাটি ভূমিপুত্ৰ বড়ো জনগোষ্ঠীৰ দখলত আছে। কিন্তু সেই মাটি বিটিআৰ পৰিষদীয় চৰকাৰ আৰু অসম চৰকাৰে আদানিক সন্তৰ্পণে জনজাতীয় লোকৰ ভূমি গতাবলৈ সাজু হৈছে। যাৰ বিৰুদ্ধে ধাৰাবাহিক আন্দোলন আৰু প্ৰতিবাদ চলিছে। পৰ্বতঝোৰা বাঁশবাৰীত তাপশক্তি প্ৰকল্প নিৰ্মাণ কৰাৰ বাবে আদানি গ্ৰুপক প্ৰায় ৩,৬০০ বিঘা ভূমি প্ৰদান কৰাৰ কথা পোহৰলৈ অহাৰ পিছতেই জনজাতীয় ৰাইজৰ মাজত হাহাকাৰ লাগিছে। যুগ যুগ ধৰি জনজাতি মানুহে বসবাস কৰাৰ লগতে ভোগ দখল কৰি হোৱা ভূমি বহিৰাগত আদানিক হস্তান্তৰ কৰাৰ বিৰুদ্ধে স্থানীয় ৰাইজে বাৰে বাৰে প্ৰতিবাদ কৰি গৈছে। বিটিআৰৰ জনজাতি সুৰক্ষা মঞ্চৰ কাৰ্যকৰী সভাপতি দাওৰাও ডেক্ৰেব নাৰ্জাৰীয়ে মাটি গতোৰাৰ বিৰুদ্ধে সৰৱ ভূমিকা গ্ৰহণ কৰিছে। ষষ্ঠ অনুসচিত এলেকাত বহিৰাগত বণিয়াক কেনেদৰে ভূমি গতাব পাৰে তাক লৈ প্ৰশ্ন উত্থাপন হৈ অহাৰ লগতে তাত বসবাস কৰি থকা বড়ো লোকসকলে প্ৰয়োজনত গুলীয়াই মাৰক তথাপি এক ইঞ্চি মাটি এৰি নিদিওঁ বুলি হুংকাৰ প্ৰদান কৰিছে। ৰাইজে অভিযোগ কৰা মতে, যি এলেকাত আদানিক মাটি দিব খোজা হৈছে সেই ঠাইত কেইবাহাজাৰ গছ-গছনি আছে। সেই মাটি কেইবাহাজাৰ জনজাতীয় লোকে ভোগ দখল কৰিছে। তেনে ক্ষেত্ৰত আদানিক কিয় লাখ লাখ গছ থকা বনাঞ্চল ধ্বংস কৰিব বুলিও প্ৰশ্ন কৰিছে দাওৰাও ডেক্ৰেব নাৰ্জাৰীয়ে। লগতে আদানিক ভূমি দিবলৈ কোনো দেৱানী, ৰাজনৈতিক দল আৰু এজেঞ্চি ইয়ালৈ যাতে নাহে বুলি সকীয়াই দিয়ে। ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিৰ আহ্বায়ক সুব্ৰত তালুকদাৰে বাঁশবাৰীৰ বিবদমান ভূমি পৰিদৰ্শন কৰি প্ৰতিবাদী ৰাইজৰ কথা কথা পাতিছে। সুব্ৰত তালুকদাৰে কয় যে অসম চৰকাৰে যেনেদৰে ধাৰত ডুব গৈ আছে, আচলতে এই ঋণসমূহ পৰিশোধ কৰিবলৈ চৰকাৰে এতিয়া কাৰ্বি, বড়ো, ৰাভা আদি কৰি জনজাতীয় লোকসকলৰ মাটি আদানিক বিক্ৰী কৰি ঋণ পৰিশোধৰ নতুন প্ৰচেষ্টা কৰাৰ অভিযোগ উত্থাপন কৰে। যি উন্নয়নে সাধাৰণ জনজাতীয় লোকৰ মাটি কাঢ়ি নিব তেনে উন্নয়ন আমাক নালাগে বুলি আহ্বায়ক তালুকদাৰে মন্তব্য কৰে। তেওঁ লগতে আমাৰ মাটি কাঢ়ি লৈ আমাক এক বিঘাকৈ মাটি ভিক্ষা দিব খোজা অসম চৰকাৰ তথা বিটিআৰ চৰকাৰে আমাক ভিক্ষাৰী বুলি ভাবে নেকি বুলিও প্ৰশ্ন উত্থাপন কৰে। অচিৰেই মাটি হেৰুৱা লোকসকলক লৈ গুৱাহাটীত বিশাল সমাৰেশ কৰাৰ হুংকাৰ প্ৰদান কৰে সুব্ৰত তালুকদাৰে। মাটি গতোৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অখিল গগৈয়ে। এটা সাক্ষাৎকাৰত কয় যে মই শীঘ্ৰে বিটিআৰত প্ৰতিবাদ কৰিবলৈ গৈ আছো। যদি প্ৰমোদ বড়োৱে মাটি দিয়াৰ সিদ্ধান্ত বাতিল নকৰে তেন্তে মই বিটিআৰত প্ৰতিবাদ কৰিবলৈ যাম। বিটিএডিত স্বজাতিক খেদি আদানীক মাটি দিলে মই প্ৰমোদ বড়োৰ বিৰুদ্ধে আন্দোলন কৰিম।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুত্ৰৰ বাবে সংস্থাপন বিচাৰি মুখ্যমন্ত্ৰীলৈ

জাঁপ দিয়ে পিতৃয়ে। পুত্ৰৰ সংস্থাপন বিচাৰি গুৱাহাটী-উত্তৰ গুৱাহাটী ৰজাদুৱাৰ অভিমুখী যাত্ৰীবাহী ফেৰীৰ পৰা লুইতৰ বুকুত জঁপিয়াই চৰম সিদ্ধান্ত লোৱাৰ। জীৱন শেষ কৰাৰ পূৰ্বে দুৰ্ভগীয়া লোকজনে এৰি থৈ গ'ল এখন হৃদয়বিদাৰক চিঠি, এযোৰ চেণ্ডেল আৰু ৩০০ টকা। লোকজন নলবাৰী জিলাৰ দাহুদী গাঁৱৰ গোলোক ৰাজবংশী। পুত্ৰৰ বাবে এটা সংস্থাপন বিচাৰি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক এখন চিঠি লিখি গোলোক ৰাজবংশীয়ে নিজকে লুইতৰ বুকুত বিলীন কৰি দিয়াৰ ঘটনাই ৰাজ্য কপাইছে।। ঘৰখনৰ চিন্তাত দিকভ্ৰষ্ট গোলোক ৰাজবংশীয়ে নিমিষতে নিজক শেষ কৰি পেলালে। আজি আবেলি প্ৰায় ৩ বজাত গুৱাহাটী-উত্তৰ গুৱাহাটী (ৰাজাদুৱাৰ) অভিমুখী এম ভি ভাগীৰথী নামৰ যাত্ৰীবাহী নাওখনৰ পৰা ভৰা লুইতত জাপ দিয়ে ৰাজবংশীয়ে। ৰাজবংশী ব্ৰহ্মপুত্ৰৰ মাজভাগ পোৱাৰ সময়তে যাত্ৰীৰ সন্মুখতে জাঁপ দিয়াত হতচকিত হৈ পৰে যাত্ৰীসকল। জাঁপ দিয়াৰ পূৰ্বে আত্মহত্যাৰ পূৰ্বে নাৱত এখন সৰু কাপোৰেৰে বান্ধা পেকেট, তিনিশ টকা আৰু চেণ্ডেলযোৰ এৰি যায়। পেকেটটোত হাতৰে লিখা পত্ৰ উদ্ধাৰ হয়। মুখ্যমন্ত্ৰীলৈ সম্বোধিত আত্মহত্যা পত্ৰত তেওঁ নিজৰ শাৰীৰিক অসুখ আৰু মানসিক বিষাদৰ কথা উল্লেখ কৰি কঠোৰ সিদ্ধান্ত লোৱা বুলি উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীৰ ওচৰত দুটা অনুৰোধ জনাইছে। শাৰীৰিক অসুখৰ বাবে মই এই পদক্ষেপ ল'লো। ইয়াৰ বাবে কাকো দোষ দিব নালাগে। মোৰ মুখ্যমন্ত্ৰী মহোদয়লৈ মাথোঁ দুটা অনুৰোধ— (১) মোৰ একমাত্ৰ পুত্ৰজনৰ বাবে চাকৰিৰ ব্যৱস্থা কৰি দিয়ক। (২) মোৰ দেহ বিচাৰি এছডিআৰএফ বা এনডিআৰএফ দল পঠিয়াব নালাগে। মোক নদীৰ কুঁহিপথে অন্তৰ্ধান হ'ব দিয়ক। ঘটনাৰ পিছতে নদী আৰক্ষী আৰু স্থানীয় আৰক্ষী নদীৰ বুকুত উপস্থিত হয়। তৎক্ষণাত উদ্ধাৰ অভিযান আৰম্ভ কৰিছে যদিও এই গোলক ৰাজবংশীৰ দেহ উদ্ধাৰ হোৱা নাই। এই ঘটনাই ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জম্মু-কাশ্মীৰত পুনৰ শ্বহীদ বীৰ সেনা জোৱান

উগ্ৰবাদীৰ আত্মগোপন স্থানৰ খবৰ লাভ কৰাৰ পিছতে আজি যৌথ অভিযান চলায় ভাৰতীয় সেনা আৰু আৰক্ষীয়ে। আৰু সেই অভিযানৰ সময়ত দুয়োপক্ষৰ মাজত সংঘটিত সংঘৰ্ষত শ্বহীদ হয় ভাৰতীয় সেনাৰ এজন জোৱান। আনহাতে সেনাৰ গুলীত ২ সন্ত্ৰাসবাদীও নিহত হয়। সেনাৰ হোৱাইট নাইট কৰ্প’ছে জনোৱা মতে, অঞ্চলটোত দীৰ্ঘসময় ধৰি গুলীয়াগুলী এতিয়াও অব্যাহত থাকে। অঞ্চলটোত অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে। সূত্ৰ অনুসৰি, নিৰাপত্তা বাহিনীয়ে তথ্য লাভ কৰে যে ছত্ৰুৰ শিংপুৰা অঞ্চলত ৩-৪ টা উগ্ৰপন্থীয়ে আত্মগোপন কৰি আছে। বুধবাৰে পুৱাৰে পৰা আৰম্ভ হয় এই তালাচী অভিযান। সেই সময়ত সেনা-আৰক্ষীৰ যুটীয়া বাহিনীয়ে সন্দেহযুক্ত উগ্ৰপন্থীৰ সৈতে মুখামুখি সংঘৰ্ষত লিপ্ত হয়। এই সংঘৰ্ষকালত সন্ত্ৰাসবাদীৰ গুলীত এজন জোৱান আহত হয়। লগে লগে তেওঁক হাস্পতাললৈ নিয়া হয় যদিও চিকিৎসাধীন অৱস্থাতে মৃত্যু ঘটে। লক্ষ্যণীয় যে, এই অভিযানক সেনাই ‘অপাৰেচন ত্ৰাশী’ নামেৰে নামাকৰণ কৰিছে। সেনাই কয় যে যিকোনো মূল্যৰ বিনিময়ত উগ্ৰপন্থীক নিৰ্মূল কৰা হ’ব। ইতিমধ্যে অঞ্চলটোত হাই এলাৰ্ট জাৰি কৰা হৈছে। কাষৰীয়া গাঁওবোৰতো কম্বিং অনুসন্ধান আৰম্ভ হৈছে। প্ৰসংগক্ৰমে ২২ এপ্ৰিলত অনন্তনাগ জিলাৰ পেহেলগামৰ বৈছৰাণ উপত্যকাত লস্কৰ-ই-তৈবাৰ ছাঁয়া সংগঠনৰ সন্ত্ৰাসবাদীয়ে ভয়ংকৰ হত্যাকাণ্ড সংঘটিত কৰিছিল। কমেও ২৬ জন নিৰীহ লোকক হত্যা কৰা হৈছিল সেই অভিশপ্ত দিনটোত। তাৰ পিছৰে পৰাই উপত্যকাৰ সিপাৰে উগ্ৰপন্থী, অভাৰগ্ৰাউণ্ড ৱাৰ্কাৰ আৰু তেওঁলোকৰ সমৰ্থকৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে সামৰিক আৰু আৰক্ষী অভিযান আৰম্ভ হৈছে। ‘অপাৰেচন ত্ৰাশী’ সেই অভিযানৰে অংশ। তাৰোপৰি সীমান্তত এতিয়াও শাম কটা নাই পাকিস্তানৰ প্ৰৰোচনা। পাকিস্তানে নিয়ন্ত্ৰণ ৰেখা আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ একাধিক গাঁৱত মৰ্টাৰ গোলা নিক্ষেপ কৰে। সেই আক্ৰমণত ইতিমধ্যে কমেও ২০০ ঘৰ আৰু দোকান ধ্বংস হৈছে। নিৰাপত্তাজনিত কাৰণত এশৰো অধিক সীমান্তবাসীয়ে নিৰাপদ আশ্ৰয়স্থলৰ বাবে নিজৰ গাঁও এৰি যাবলৈ বাধ্য হৈছে। সম্প্ৰতি ৰাজৌৰী, পুঞ্চ, কুপোৱাৰা আৰু বাৰামুল্লা জিলাৰ কেইবাটাও অঞ্চলত সেনা-আৰক্ষীৰ কাৰ্যকলাপ তীব্ৰতৰ কৰি তোলা হৈছে। কেন্দ্ৰীয় চৰকাৰে উল্লেখ কৰিছে যে যদিও ১২ জুনত ভাৰত-পাকিস্তান যুদ্ধবিৰতি চুক্তি মানি চলিবলৈ সিদ্ধান্ত লোৱা হৈছে, পাকিস্তানে যদি নিজৰ মাটিৰ পৰাই ভাৰতৰ বিৰুদ্ধে সন্ত্ৰাসবাদী কাৰ্যকলাপ চলাই থাকে তেন্তে এই চুক্তিক একপক্ষীয়ভাৱে সন্মান কৰা নহ’ব। ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ সাজু হৈছে ভাৰতীয় সেনা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নুমলীগড়ত হানি-খুচি হত্যা ঢেকীয়াপতীয়া

নেতাই দাবী কৰাৰ সময়তে জীৱ শ্ৰেষ্ঠ মানুহে হত্যা কৰিলে এটা ঢেকীয়াপতীয়াক। সামাজিক মাধ্যমত বনপ্ৰেমী বুলি জহাই থকা বিধায়ক মৃণাল শইকীয়াৰ গৃহ জিলাত ৰাইজে নিধন কৰিছে এটা ঢেকীয়াপতীয়া বাঘ। গোলাঘাট জিলাৰ দুসুঁতিমুখ অঞ্চলত একাংশ প্ৰকৃতিবিৰোধী লোকে এটা ঢেকীয়াপতীয়াক মৰিয়াই নিধন কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কেইবাশ লোকে মাৰি ঢেকীয়াপতীয়াক নিধন কৰাত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। প্ৰায় এমাহ ধৰি অঞ্চলটোত ঘূৰি ফুৰি ৰাইজৰ মাজত আতংক সৃষ্টি কৰিছিল ঢেকীয়াপতীয়াটোৱে। কিছুদিন পূৰ্বে চেলেক গাঁৱত ঢেকীয়াপতীয়াই এজন লোকক আক্ৰমণ কৰিছিল। ইয়াৰ পাছতো ৰাইজ শংকিত হৈ আছিল। ফলত খুমটাই অঞ্চলৰ ৰাইজে একত্ৰিত হৈ লাঠীৰে কোবাই কোবাই ঢেকীয়াপতীয়াক হত্যা কৰে। বন বিভাগৰ বিৰুদ্ধে সময়মতে পদক্ষেপ গ্ৰহণ নকৰা বুলি ৰাইজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। ৰাইজৰ অভিযোগ অনুসৰি পুৱা খবৰ দিয়াৰ পিছতো বন বিভাগে মাত্ৰ চাৰিজন বনৰক্ষী প্ৰেৰণ কৰিছিল। চাৰি বনৰক্ষীয়ে কেইবাশ লোকক নিয়ন্ত্ৰণ কৰিব নোৱাৰাৰ লগতে ঢেকীয়াপতীয়াক আঁতৰাই নিব নোৱাৰাৰ ফলতে মানুহৰ হত্যা প্ৰাণ হেৰুৱাবলগীয়া হোৱা বুলি অভিযোগ উত্থাপন হৈছে। স্থানীয় ৰাইজে ক্ষোভ উজাৰি কয় যে আমি বহু সপ্তাহ ধৰি আতংকত আছিলো। কিন্তু বন বিভাগে একো পদক্ষেপ নল’লে। যাৰ বাবে এই দুৰ্ভাগ্যজনক ঘটনা ঘটিল। খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই অত্যন্ত দুঃখজনক আৰু লজ্জাজনক বুলি অভিহিত কৰিছে। চৰকাৰী হস্তক্ষেপৰ দাবী জনাই বন্যপ্ৰাণী সম্বন্ধীয় সংকট সমাধানত অধিক প্ৰস্তুতিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়ে। শইকীয়াই কয় যে বাঘে এনেধৰণৰ মৃত্যুৰ বলি হ’ব নালাগিছিল। কিন্তু বিভাগৰ ব্যৰ্থতাৰ বাবে ৰাইজে এনে পথ ল’ব নালাগিছিল। গোলাঘাট জিলাৰ বন বিষয়া গুণদীপ দাসে মাত্ৰ দুদিন পূৰ্বে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। ঘটনাৰ পিছত স্থান পৰিদৰ্শন কৰে দাসে কয় যে প্ৰাথমিক তদন্তত মানুহে বাঘটোক খেদি খেদি হত্যা কৰা হৈছে বুলি প্ৰকাশ পাইছে। এক আনুষ্ঠানিক তদন্ত আৰম্ভ কৰা হৈছে। এটা বন দলে বাঘটোক খেদি পঠিয়াবলৈ ওলাই গৈছিল। কিন্তু কিছু কাৰণত মাজৰ পথৰ পৰা উভতি আহিব লগা হৈছিল। যাৰ বিষয়ে বিস্তাৰিত তথ্য প্ৰকাশ কৰা হোৱা নাছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্তব্ধ নৰ্থ-ইষ্টৰ বাণিজ্য!

আক্ৰমণৰ ঠিক এমাহৰ পিছত পুনৰ উপমহাদেশত বিৰাজ কৰিছে উত্তেজনাই। ২৬ জন পৰ্যটকৰ মৃত্যুৰ প্ৰত্যুত্তৰত পাকিস্তানৰ বিৰুদ্ধে অপাৰেচন সেন্দুৰ সামৰিক অভিযান চলাইছিল ভাৰতে। আৰু ঠিক সেই সময়তে বাংলাদেশৰ বিৰুদ্ধেও অৰ্থনৈতিক পৰ্যায়ত কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ভাৰতে। বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন প্ৰধানমন্ত্ৰী মহম্মদ ইউনুছে চীন ভ্ৰমণৰ সময়ত ভাৰতক লৈ কৰা বিতৰ্কিত মন্তব্যৰ পিছতে বৃহস্পতিবাৰৰ পৰা চুবুৰীয়া দেশখনৰ বিৰুদ্ধে কাৰ্যকৰী কৰা হয় কঠোৰ বাণিজ্য নিষেধাজ্ঞা। এই নতুন নিষেধাজ্ঞাৰ ফলত ভাৰতে বাংলাদেশৰ কেইবাটাও সামগ্ৰীৰ আমদানি সম্পূৰ্ণৰূপে বন্ধ কৰি দিছে। য’ত আছে ৰেডিমেড কাপোৰ, কাৰ্বনেটেড পানীয়, কপাহৰ আৱৰ্জনা, প্ৰচেছড খাদ্য সামগ্ৰী আৰু কাঠৰ আচবাব আদি। এই সকলোবোৰ সামগ্ৰী উত্তৰ-পূবৰ গুৰুত্বপূৰ্ণ সীমান্ত বাণিজ্য কেন্দ্ৰৰ মাজেৰে বিশেষকৈ ধুবুৰীৰ গোলকগঞ্জৰ জৰিয়তে ভাৰতত প্ৰৱেশ কৰিছিল। ফলত বৃহস্পতিবাৰে পুৱাৰে পৰা গোলকগঞ্জ সীমান্ত বাণিজ্য কেন্দ্ৰ কাৰ্যতঃ স্তব্ধ হৈ পৰিছে। সীমান্তত আবদ্ধ হৈ আছে বহু ৰপ্তানি আৰু আমদানি ট্ৰাক। নথি-পত্ৰ জমা দিয়াৰ পিছতো ক্লিয়াৰেন্স দিয়া হোৱা নাই এই যান-বাহনসমূহক। এনে পৰিস্থিতিত বৃহৎ অৰ্থনৈতিক লোকচানৰ সন্মুখীন হৈছে সীমান্তৰ বাণিজ্য। ক্ষুদ্ৰ আৰু মজলীয়া ব্যৱসায়ীসকলে কয় যে তেওঁলোকে এদিনতে কেইবালাখ টকাৰ লোকচানৰ সন্মুখীন হৈছে। এই অৱৰোধ দীঘলীয়া হ’লে বহু উদ্যোগী দেউলীয়া হ’বলৈবাধ্য হ’ব বুলি আশংকা কৰা হৈছে। স্থানীয় ব্যৱসায়ী সমাজৰ মতে এমাহ পূৰ্বে পেহেলগামত যি ঘটিছিল তাৰ কূটনৈতিক সঁহাৰি এতিয়া অৰ্থনীতিত দেখা গৈছে। ভাৰতৰ সীমান্তত পাকিস্তান সমৰ্থিত আক্ৰমণ আৰু বাংলাদেশৰ কিছু অংশ চীনৰ ওচৰত থকাটোৱে ভাৰতৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। বাণিজ্য বিশেষজ্ঞৰ মতে এতিয়া বিষয়টো কেৱল দিল্লী-ঢাকাতে সীমাবদ্ধ হৈ থকা নাই। বৰং উত্তৰ-পূব ভাৰতৰ সমগ্ৰ সীমান্ত অৰ্থনীতিৰ ভৱিষ্যৎ বিপদত পৰিছে। যদিহে কূটনৈতিক আলোচনাৰ জৰিয়তে এই অৱৰোধ ক্ষিপ্ৰতাৰে সমাধান নহয়, তেন্তে গোলকগঞ্জ আৰু অন্যান্য সীমান্ত চহৰৰ আৰ্থিক গাঁথনি সম্পূৰ্ণৰূপে ভাঙি পৰিব পাৰে বুলিও আশংকা কৰা হৈছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223



বিজেপিৰ কাৰ্যালয়ত হৰিশিঙা মণ্ডল সমিতিৰ এক যোগদান সভা, ফটোঃ ই-সংবাদ, ওদালগুৰি

# বিটিচি নিৰ্বাচনঃ ওদালগুৰি জিলাৰ ১০ সমষ্টিক লৈ তৎপৰ বিজেপি

**ই-সংবাদ, ওদালগুৰি, ২২ মে':** আগন্তুত বিটিচি পৰিষদীয় নিৰ্বাচন লৈ মাজত মাথোঁ তিনিমাহ বাকী থকাৰ সময়তে ভিতৰি ভিতৰি প্ৰায় প্ৰতিটো ৰাজনৈতিক দলে আৰম্ভ কৰিছে তৎপৰতা। বিটিচিৰ শাসকীয় দল ইউপিপিএল, বিজেপিৰ লগতে বিপিএফকে ধৰি বিভিন্ন ৰাজনৈতিক দল তথা নিৰ্দলীয় প্ৰাৰ্থীৰ মাজত চলিছে নিৰ্বাচনী কুচকাৱাজ। সমান্তৰালভাৱে ওদালগুৰি জিলাৰ ১০ টা পৰিষদীয় শেষাংশ ৯ পৃষ্ঠাত

# কিমান সমষ্টিত নিৰ্বাচন খেলিব সেই সিদ্ধান্ত ল'ব মুখ্যমন্ত্ৰী-সভাপতিয়ে

## কোকৰাঝাৰত উপস্থিত হৈ অশোক সিংহলৰ মন্তব্য

**ই-সংবাদ, কোকৰাঝাৰ, ২২ মে' :** বিটিচি নিৰ্বাচনৰ বাবে কোকৰাঝাৰ জিলাত পৰ্যবেক্ষকৰ দায়িত্ব লাভ কৰাৰ পিছতে আজি কোকৰাঝাৰ জিলা বিজেপিৰ কাৰ্য্যালয়ত মন্ত্ৰী অশোক সিংঘল উপস্থিত হৈ দলীয় কাৰ্যকৰ্তাৰ সতে মত বিনিময় কৰে। জিলা বিজেপিৰ কাৰ্যালয়ত বিজেপিৰ কাৰ্যকৰ্তাসকলৰ সৈতে অনুষ্ঠিত হোৱা বৈঠকত ১২ টা মণ্ডলৰ সমিতিৰ নেতৃবৃন্দও উপস্থিত আছিল। বৈঠকত মূলত বিটিচিৰ নিৰ্বাচনক লৈ মন্ত্ৰী অশোক সিংঘলে পৰ্যালোচনা কৰে আৰু প্ৰতিবেদন উৰ্ধতম কৰ্তৃপক্ষক শেষাংশ ৯ পৃষ্ঠাত

# পথৰ দুৰৱস্থাক লৈ ছিপাঝাৰত যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিবাদী কাৰ্যসূচী

**ই-সংবাদ, ছিপাঝাৰ, ২২ মে':** পথৰ মাজত এজাক পুৰুষ-মহিলা! তেওঁলোকৰ হাতে হাতে মাছ ধৰা সঁজুলি। কোনোবাই জাল পেলাইছে, কোনোবাই জাকৈ মাৰিছে, কোনোবাই আকৌ জুলুকি বা পলৰে মাছ ধৰাৰ চেষ্টা কৰিছে। এনেদৰে সমূহীয়াকৈ শেষাংশ ১১ পৃষ্ঠাত

# ২৪ মে'ত ডিব্ৰুগড়ত শপতগ্ৰহণ অনুষ্ঠান সোণোৱাল কছাৰী সাহিত্য সভাৰ নতুন সমিতি গঠন

**ই-সংবাদ, ডিব্ৰুগড়, ২২ মে':** ধেমাজিত অধিৱেশন অনুষ্ঠিত হোৱাৰ সুদীৰ্ঘ তিনি মাহৰ পিছত সোণোৱাল কছাৰী সাহিত্য সভাৰ নৱ নিৰ্বাচিত পূৰ্ণাংগ সমিতিখনে অহা ২৪ মে'ত ডিব্ৰুগড়ত শপত গ্ৰহণ কৰিব। যোৱা ৪ মে'ত পূৰ্বৰ সভাপতি মোহন সোণোৱালৰ পৌৰোহিত্যত অনুষ্ঠিত এক প্ৰতিনিধি সভাত গঠিত সমিতিখনে উক্তদিনা ডিব্ৰুগড় শেষাংশ ১১ পৃষ্ঠাত

# অসম চৰকাৰ আৰু আইআইটি গুৱাহাটীৰ মাজত বুজাবুজিৰ চুক্তি

**ই-সংবাদ, ২২ মে':** অসমত বান আৰু নদী খহনীয়া নিয়ন্ত্ৰণ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে, আজি অসম চৰকাৰৰ জলসম্পদ বিভাগ আৰু ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান শেষাংশ ৯ পৃষ্ঠাত

# লাহৰীঘাটৰ বৰচাপৰিত ড্ৰাগছসহ স্বামী-স্ত্ৰী গ্ৰেপ্তাৰ

**ই-সংবাদ, লাহৰীঘাট, ২২ মে' :** মৰিগাঁও জিলাৰ লাহৰীঘাট, ভূৰাগাঁও, টেঙাগুৰি, মৈৰাবাৰী, ভেলৌগুৰি আদিকে ধৰি বিভিন্ন অঞ্চলত অব্যাহত থকা নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে বিগত দিনৰ পৰা আজিলৈ আৰক্ষীয়ে অভিযান চলাই বহু শেষাংশ ১১ পৃষ্ঠাত

# ৰূপাইত পণ্ডিত আনন্দৰাম বৰুৱাৰ স্মৃতি দিৱস উদযাপন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২২ মে':** অসম সাহিত্য সভাৰ আহবানমৰ্মে সংস্কৃত ভাষাৰ এজন বিদগ্ধ পণ্ডিত তথা প্ৰথম অসমীয়া প্ৰশাসনিক বিষয়া আৰু প্ৰথম অসমীয়া গ্ৰেজুৱেট, অধিবক্তা আনন্দৰাম বৰুৱাৰ ১৭৫ সংখ্যক জন্ম জয়ন্তী শেষাংশ ১২ পৃষ্ঠাত

# অসহায় বৃদ্ধাক অত্যাচাৰ, ব্যৱস্থা গ্ৰহণত ব্যৰ্থ আৰক্ষী

**ই-সংবাদ, লাহৰীঘাট, ২২ মে':** মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত তাঁতিকটা গাঁৱৰ বৃদ্ধ মহিলাৰ সম্পত্তিৰ লোভত ঘৰৰ ওচৰৰ দুষ্ট প্ৰকৃতিৰ লোকৰ দল এটাই বিভিন্ন সময়ত বিভিন্ন ধৰণে অত্যাচাৰ চলাই আহিছে। দুখীয়া শেষাংশ ১১ পৃষ্ঠাত

# খাৰুপেটীয়া চহৰত 'স্বম্ভু'ৰ সন্ত্ৰাস, এজনৰ মৃত্যু

**ই-সংবাদ, খাৰুপেটীয়া, ২২ মে':** দৰং জিলাৰ খাৰুপেটীয়া চহৰত গৰাকীবিহীন 'স্বম্ভু' নামৰ ষাঁড় গৰুৰ ভয়ংকৰ আক্ৰমণত কৰুণ মৃত্যুক সাবটিলে তিনিটা সন্তানৰ পিতৃ ইন্দ্ৰ বাহাদুৰ খড়গা নামৰ ৫০ বছৰীয়া এজন লোকে। চি চি টিভি কেমেৰাত আৱদ্ধ হোৱা সমগ্ৰ দৃশ্যই পোহৰলৈ আনিছে স্বম্ভু নামৰ ষাঁড় গৰুটোৰ ভয়ংকৰ আক্ৰমণৰ ঘটনা। খাৰুপেটীয়া চহৰৰ স্বেচ্ছাসেৱী অনুষ্ঠান টাইগাৰ ক্লাবৰ বহু বছৰৰ পৰা চকীদাৰ হিচাপে কৰ্মৰত হৈ থকা চকীদাৰ ইন্দ্ৰ বাহাদুৰ খড়গাই অইন দিনৰ দৰে বুধবাৰেও ক্লাব চৌহদত ফুলনিৰ গছ-গছনিসমূহ নষ্ট কৰিবলৈ অহা স্বম্ভু নামৰ ষাঁড় গৰুটোক খেদিবলৈ যোৱাত হঠাৎ ষাঁড় গৰুটোৱে তেওঁক আক্ৰমণ কৰি উপৰ্যুপৰি শেষাংশ ৯ পৃষ্ঠাত

**'সম্ভু'ৰ বাবে খাৰুপেটীয়া চহৰত কোনো লোকে বাইক-চাইকেল আদিত মুকলিকৈ থ'ব নোৱাৰে খাদ্য সামগ্ৰী**

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজস্থানৰ জনসভাৰ পৰা পাকিস্তানক

ভূমিৰ পৰা পাকিস্তানৰ বিৰুদ্ধে আকৌ এবাৰ হুংকাৰ তুলিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বুধবাৰে ৰাজস্থানৰ বিকানেৰত জনসভা সম্বোধন কৰি পাকিস্তানৰ সন্ত্ৰাসবাদ আৰু ভাৰতৰ অপাৰেচন সেন্দূৰক লৈ স্পষ্ট বাৰ্তা প্ৰদান কৰে মোদীয়ে। তেওঁ বিকানেৰ চহৰৰ পৰাই সমগ্ৰ দেশৰ ১০৩ টা অমৃত ভাৰত ষ্টেচন ভাৰ্চুৱেলী উদ্বোধন কৰে। সেই অনুষ্ঠানৰ মঞ্চৰ পৰাই প্ৰধানমন্ত্ৰীয়ে অপাৰেচন সেন্দূৰৰ সফলতা আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতীয় সেনাৰ প্ৰচেষ্টাক আলোকপাত কৰে। মোদীয়ে কয়, "মোৰ শৰীৰত এতিয়া তেজ নহয়, তপ্ত সেন্দূৰ বৈছে। অপাৰেচন সেন্দূৰ প্ৰতিশোধ নহয়, ই ন্যায়ৰ যুঁজ। যিসকলে ভাৰতৰ মাতৃ-ভগ্নীৰ কপালৰ সেন্দূৰ মচিছিল, সেই সকলক আমি প্ৰত্যুত্তৰ দিছো।" তেওঁ আৰু কয়, "২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ মাত্ৰ ২২ মিনিটতে দিছে ভাৰতে। ভাৰতীয় সেনাৰ অভিযানত পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ ৯ টা সন্ত্ৰাসবাদী শিবিৰ ধ্বংস হৈছিল।" সন্ত্ৰাসবাদক সমৰ্থন কৰা পাকিস্তানৰ কথা উল্লেখ কৰি মোদীয়ে কয় যে পাকিস্তানে কেতিয়াও মুখামুখি যুঁজত ভাৰতৰ সন্মুখত থিয় দিব নোৱাৰে। এই ৰাজহুৱা সভাৰ পৰাই প্ৰধানমন্ত্ৰীয়ে দেশৰ ক্ৰমবৰ্ধমান আন্তঃগাঁথনিগত অগ্ৰগতিৰ ওপৰতো আলোকপাত কৰে। তেওঁ কয় যে অমৃত ভাৰত ষ্টেচন প্ৰকল্পৰ অধীনত দেশৰ বিভিন্ন ৰাজ্যত উচ্চমানৰ ৰে'ল ষ্টেচন নিৰ্মাণৰ কাম চলি আছে। এই প্ৰকল্পৰ অধীনত আজি অসমৰো হয়বৰগাঁও অমৃত ষ্টেচনৰ ভাৰ্চুৱেলী উদ্বোধন কৰে মোদীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধায়কৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ

মুনীৰত্নৰ। বৃহস্পতিবাৰে বেংগালুৰুৰ আৰ এম চি য়াৰ্ড আৰক্ষী থানাত এগৰাকী ৪০ বছৰীয়া মহিলাই এজাহাৰ দাখিল কৰি বিধায়ক মুনীৰত্ন আৰু তেওঁৰ সহযোগীসকলে তেওঁক দলবদ্ধ ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপন কৰে। ভুক্তভোগী মহিলাগৰাকীৰ অভিযোগ অনুসৰি, বিজেপি বিধায়কজনে তেওঁৰ মুখত প্ৰস্ৰাৱ কৰাৰ লগতে 'মাৰাত্মক ভাইৰাছ'ৰ বেজীও দিছিল। এই ঘটনাই কৰ্ণাটকৰ লগতে সমগ্ৰ দেশতে তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে জনোৱা মতে, ২০২৩ চনৰ ১১ জুনত মথিকেৰেস্থিত মুনীৰত্নৰৰ কাৰ্যালয়ত সংঘটিত হৈছিল এই ঘটনা। অভিযোগকাৰীয়ে দাবী কৰা মতে, সেইদিনা বিধায়কজনৰ তিনি সহায়কে বলপূৰ্বকভাৱে তেওঁক কাৰ্যালয়লৈ লৈ গৈ কাপোৰ খুলিবলৈ বাধ্য কৰাইছিল। তেওঁ চতুৰ্থ অভিযুক্তৰ নাম প্ৰকাশ কৰিব নোৱাৰিলে। ভুক্তভোগীৰ মতে, এই ধৰ্ষণকাণ্ডৰ কথা কাৰোবাক ক'লে পুত্ৰ আৰু পৰিয়ালৰ অন্যান্য সদস্যক হত্যা কৰাৰ ভাবুকি দিছিল মুনীৰত্নই। এফ আই আৰত তেওঁ আৰু দাবী কৰে যে মুনীৰত্নই নিজেই দুজন সহযোগীক ধৰ্ষণ কৰিবলৈ নিৰ্দেশ দিছিল আৰু ধৰ্ষণৰ পিছত অভিযুক্তই তেওঁৰ মুখত প্ৰস্ৰাৱ কৰিছিল। ইয়াৰ পিছতে বিধায়কজনে তেওঁৰ শৰীৰত অজ্ঞাত তৰল পদাৰ্থ সুমুৱাই দিয়ে বুলি মহিলাগৰাকীয়ে জানিবলৈ দিয়ে। সেই বেজীৰ সময়ত তেওঁ কোনো মাৰাত্মক ভাইৰাছত আক্ৰান্ত হোৱাৰ আশংকা কৰে। তেওঁ লগতে দাবী কৰে যে তেওঁ বৰ্তমান এক "নিৰাময় কৰিব নোৱাৰা ৰোগ"ত আক্ৰান্ত। এই কাণ্ডৰ পিছত বেংগালুৰু আৰক্ষীয়ে আইপিচিৰ ৩৭৬ডি (গেং ৰেপ), ২৭০ (মৃত্যুৰ সম্ভাৱনা থকা কাম), ৩৫৪ (মহিলাৰ বিনয়ক ক্ষুব্ধ কৰাৰ উদ্দেশ্যেৰে আক্ৰমণ), ৫০৪ (উচ্চতজনক অপমান), ৫০৬ (ভাবুকি), ৫০৯ (মহিলাক অৱমাননা কৰা ভাষা বা আচৰণ) আৰু ৩৪ (সাধাৰণ উদ্দেশ্য) ধাৰাত গোচৰ ৰুজু কৰে। উল্লেখ্য যে, বিজেপি বিধায়ক মুনীৰত্নৰ বিৰুদ্ধে এনে অভিযোগ এয়াই প্ৰথম নহয়। ইয়াৰ পূৰ্বে ২০২৪ চনৰ ছেপ্টেম্বৰ মাহত এজন সমাজকৰ্মীৰ অভিযোগৰ ভিত্তিত ধৰ্ষণ, ব্লেকমেইল, ভয় দেখুৱাই একাধিক অভিযোগত কাগলীপুৰা থানাত মুনীৰত্নৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল। সেই গোচৰৰ আন ছয়জন অভিযুক্তৰ নাম আছিল বিজয়কুমাৰ, সুধাকৰ, কিৰণ কুমাৰ, লোহিত গৌড়া, মঞ্জুনাথ আৰু লোকী। কিন্তু সেই গোচৰৰ বিশেষ আদালতে ২০২৪ চনৰ অক্টোবৰ মাহত বিজেপি বিধায়কগৰাকীক চৰ্তসাপেক্ষ জামিন প্ৰদান কৰিছিল। এই সকলোবোৰৰ মাজতো ইটোৰ পিছত সিটোকৈ মুনীৰত্নৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন হোৱাৰ ফলত ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিৰোধীয়ে এই প্ৰশ্ন উত্থাপন কৰিছে - এজন অভিযুক্তক বাৰে বাৰে কেনেকৈ দোষমুক্ত কৰিব পাৰি? সাধাৰণ জনতাৰ মাজতো তীব্ৰ ক্ষোভ বিয়পি পৰিছে। বৰ্তমান বেংগালুৰু আৰক্ষীয়ে এটা নতুন গোচৰৰ তদন্ত অব্যাহত ৰাখিছে। অৱশ্যে এই পৰ্যন্ত মুনীৰত্ন বা তেওঁৰ কোনো সহযোগীক গ্ৰেপ্তাৰ কৰাৰ কোনো খবৰ পোৱা নাই। আৰক্ষীয়ে জনোৱা মতে, আইন অনুসৰি অভিযুক্তৰ বিৰুদ্ধে ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাৰাবন্দী স্বাস্থ্য বিষয়া চেলিক্সক নিলম্বন

এইচ চিৰ জ্যেষ্ঠ চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ চেলিক্স আলমক নিলম্বন কৰিছে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই। ৰাজ্যৰ স্বাস্থ্য বিভাগে জনোৱা মতে, এই বছৰৰ ২৬ ফেব্ৰুৱাৰীত গ্ৰেপ্তাৰ হোৱা তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ নিলম্বন কৰা হৈছে স্বাস্থ্য বিষয়াজনক। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সঞ্চালকৰ স্বাক্ষৰিত চৰকাৰী পত্ৰ (নং HSE/Misc/30/2025/896, তাৰিখ ২৫ এপ্ৰিল ২০২৫) অনুসৰি অসম সেৱা (অনুশাসন আৰু আপীল) নিয়মাৱলী, ১৯৬৪ৰ নিয়ম ৬(২) অনুসৰি ৰাজ্যপালে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। কেটেটং বিপিএইচচিৰ আৰ ডব্লিউ এফ চিত কৰ্মৰত আছিল অভিযুক্ত চিকিৎসক চেলিক্স আলম। উল্লেখ্য যে মাৰ্ঘেৰিটা থানাত দাখিল কৰা এটা গোচৰ (কেছ নম্বৰ ২২/২০২৫)ৰ ভিত্তিত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল ডাঃ আলমক। ভাৰতীয় দণ্ডবিধিৰ ১২৭(২) আৰু ৬৮(ঘ) ধাৰাত তেওঁৰ বিৰুদ্ধে অভিযোগ উত্থাপন হৈছে। গ্ৰেপ্তাৰৰ পিছত তিনিচুকীয়া জিলা আদালতৰ নিৰ্দেশত তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। সূত্ৰ অনুসৰি যোৱা ২২ ফেব্ৰুৱাৰীত মাৰ্ঘেৰিটা এফ আৰ ইউ/চিভিল হাস্পতালৰ বাহিৰত এদল ব্যক্তিয়ে ডাঃ আলমক আক্ৰমণ কৰিছিল। অভিযোগ অনুসৰি, এগৰাকী ২২ বৰ্ষীয় যুৱতীক চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দি ৬ মাহত একাধিকবাৰ যৌন নিৰ্যাতন চলাইছিল চিকিৎসক আলমে। জানিব পৰা মতে, সেই ঘটনাৰ পৰিপ্ৰেক্ষিততে একাংশই আক্ৰমণ কৰিছিল চিকিৎসকজনক। চৰকাৰী নিৰ্দেশনাত এইটোও উল্লেখ আছে যে নিলম্বনৰ সময়ছোৱাত ডাঃ চেলিক্স আলমে কোনো ব্যক্তিগত চিকিৎসা সেৱা বা আন কোনো লাভজনক কৰ্মসংস্থাপনত লিপ্ত হ'ব নোৱাৰিব। এই ঘটনাই স্বাস্থ্য সমাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চৰকাৰী চিকিৎসক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়তো এনে অপৰাধত জড়িত থকাৰ অভিযোগে স্বাস্থ্য সেৱাৰ নৈতিকতা আৰু দায়িত্বৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুঃ বিশ্ববিদ্যালয়ৰ নাতিদূৰত মদৰ

খুলিবলৈ অনুমতি দিয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আবকাৰী বিভাগে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওচৰত থকা এখন বাৰ আৰু ৰেষ্টুৰেণ্টক বিদেশী মদ বিক্ৰীৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰাত ছাত্ৰ সমাজৰ লগতে স্থানীয় ৰাইজে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিশ্ববিদ্যালয় ছাত্ৰ সমাজ, প্ৰশাসনে তীব্ৰ আপত্তি জনাইছে। বিশ্ববিদ্যালয়ৰ মতে, এই ধৰণৰ মদৰ দোকানে শিক্ষাৰ পৰিৱেশ বিঘ্নিত কৰাৰ লগতে বিদ্যায়তনিক পৰিৱেশ ধ্বংস কৰিব পাৰে। আবকাৰী বিভাগে গুৱাহাটী মহানগৰীৰ জালুকবাৰীৰ পাণ্ডু-সাদিলাপাৰৰ ৰাষ্ট্ৰীয় ঘাইপথ-৩৭ বাইপাছ সংলগ্ন এলেকাত থকা এম/এছ এঞ্জেল বাৰ কাম ৰেষ্টুৰেণ্টক বিদেশী মদ বিক্ৰীৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিছে। প্ৰতিষ্ঠানখনৰ গৰাকী কাবেৰী দাসক লাইচেন্স প্ৰদান কৰিছে। বাৰখন সাদিলাপাৰ গাঁৱৰ দাগ নম্বৰ ৬৬৯ আৰু পট্টা নম্বৰ ৭৮ ৰ অন্তৰ্গত কৰুণা দাসৰ মালিকানাধীন ভাড়াত লোৱা জমিত চলি আছে। তথাপি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওচৰত মদৰ দোকান স্থাপন হোৱাত শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ মাজত গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি কৰাত ১৩ আগষ্টত বিশ্ববিদ্যালয়ৰ পঞ্জীয়কে কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল। লগতে বিশ্ববিদ্যালয়ৰ ওচৰত মদৰ দোকান নিদিবলৈ ৰাইজে কৈ আহিছে। পত্ৰখনত উল্লেখ কৰা হয় যে এই ধৰণৰ দোকানে অনৈতিক কাৰ্যকলাপ বৃদ্ধি কৰিব। অসম আবকাৰী বিধি, ২০১৬ ৰ উদ্ধৃতি দি বিশ্ববিদ্যালয়ে কয় যে শিক্ষানুষ্ঠানৰ কাষত মদৰ দোকান স্থাপন সম্পূৰ্ণৰূপে নিষিদ্ধ। সেই অনুসৰি বিশ্ববিদ্যালয়ে জিলা প্ৰশাসনক এই বিষয়ত হস্তক্ষেপ কৰি প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ আহ্বান জনাইছে। বিতৰ্ক তীব্ৰ হোৱাত বিশ্ববিদ্যালয়ৰ একাডেমিক পৰিৱেশ বিঘ্নিত হোৱাৰ আশংকাত স্থানীয় ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছেপ্টেম্বৰত মুকলি হ'ব হিমন্তৰ

মুখ্যমন্ত্ৰীক উদ্দেশ্যে সাংসদ গৌৰৱ গগৈয়ে আজি এনেদৰে কটাক্ষ কৰিছে। যোৰহাটৰ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈ আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বাকুদ্ধই তীব্ৰ ৰূপ ধাৰণ কৰাৰ সময়তে গৌৰৱ গগৈয়ে এইবাৰ মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক বিভ্ৰান্ত কৰাৰ অভিযোগ উত্থাপন কৰি বিগ বাজেটৰ ৰাজনৈতিক নাটক আখ্যা দিয়ে। মুখ্যমন্ত্ৰীক কটাক্ষ কৰি গগৈয়ে কয় ডঃ হিমন্ত বিশ্ব শৰ্মাই 'হিমন্ত বিশ্ব শৰ্মাৰ মিছা কথা' শীৰ্ষক এখন বিগ বাজেটৰ চলচ্চিত্ৰ পৰিচালনা কৰি আছে। এই চিনেমাখন ছেপ্টেম্বৰ ১০ তাৰিখে মুক্তি পোৱাৰ কথা আছে আৰু সেইদিনাই ই এক বৃহৎ ব্যৰ্থতাৰ ৰূপ ল'ব। তেতিয়া মুখ্যমন্ত্ৰীয়ে অসমবাসীৰ ওচৰত ক্ষমা খুজিব লগীয়া হ'ব। গগৈয়ে আজি মুখ্যমন্ত্ৰীক কটাক্ষ কৰি মুখ্যমন্ত্ৰীৰ সাম্প্ৰতিক মন্তব্যসমূহক ভিত্তিহীন আৰু ৰাজনৈতিক স্বাৰ্থৰ দ্বাৰা পৰিচালিত বুলি বৰ্ণনা কৰে আৰু কয় যে ছেপ্টেম্বৰ মাহত বিজেপিৰ ভিতৰত ডাঙৰ ৰাজনৈতিক ভূমিকম্প হ'ব। মুখ্যমন্ত্ৰীয়ে নিজে সংবাদ মাধ্যমৰ সন্মুখত কথা নকয়, বৰং প্ৰমাণৰ অভাৱত মিছা তথ্য প্ৰচাৰ কৰে। গগৈয়ে কয় যে এই সকলো এটা সুপৰিকল্পিত ৰাজনৈতিক কাহিনী। যাৰ উদ্দেশ্য হৈছে জনসাধাৰণৰ মনোযোগ মূল সমস্যাৰ পৰা আঁতৰাই অন্যফালে ঢাল খুওৱা। ৰাইজে এনে কাহিনীক বিশ্বাস নকৰে বুলিও কয় গগৈয়ে।

# ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী অন্বেষা তাছালৈ ভাৰত চৰকাৰৰ জলপানি



**ই-সংবাদ, ডিব্ৰুগড়, ২২ মে':** অসামান্য দক্ষতা থকা শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদানৰ লগতে ১০-১৪ বয়সৰ প্ৰতিভাৱান শিক্ষাৰ্থীসকলক অধিক উৎসাহিত কৰাৰ উদ্দেশ্য ভাৰত চৰকাৰে প্ৰতি বছৰে প্ৰদান কৰি অহা জলপানি এইবাৰ দেশৰ মুঠ ৬৫০ গৰাকী দক্ষ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত ডিব্ৰুগড়ৰ মিলন নগৰ নিবাসী তথা বৰ্তমান যোৰহাটৰ চিকিৎসক পিতৃ ডাঃ অনাদি স্বামী তাছা আৰু চিকিৎসক মাতৃ ডাঃ নেত্ৰী দাসৰ প্ৰথমা কন্যা অন্বেষা তাছাই লাভ কৰিবলৈ সক্ষম হয়। ভাৰত চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনস্থ এক স্বায়ত্তশাসিত সংস্থাৰ নাম হৈছে Centre for Cultural Resources and Training। ১৯৭৯ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠিত এই সংস্থাৰ প্ৰধান কাৰ্যালয় নতুন দিল্লীত অৱস্থিত। গুৱাহাটী, উদয়পুৰ আৰু হায়দৰাবাদত ইয়াৰ তিনিটা আঞ্চলিক শাখা কাৰ্যালয় আছে। এই সংস্থানৰ ঘাই উদ্দেশ্য হৈছে শিক্ষক-শিক্ষাৰ্থীসকলৰ মাজত সাংস্কৃতিক সজাগতা সৃষ্টি কৰি শিক্ষা আৰু সংস্কৃতিৰ মাজত ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে অটুট সেতু নিৰ্মাণ কৰা। শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদানৰ লগতে ১০-১৪ বয়সৰ প্ৰতিভাৱান শিক্ষাৰ্থীসকলক উৎসাহিত কৰিবৰ বাবে ৰাষ্ট্ৰীয় জলপানি দিয়াৰ ব্যৱস্থা আছে। সদ্যঘোষিত ফলাফল অনুসৰি ২০২৫ বৰ্ষত অসমৰ কেইবাজনো শিক্ষাৰ্থীয়ে নিজ নিজ প্ৰতিভাৰ বলত বিভিন্ন শিতানত এই জলপানি লাভ কৰিবলৈ সমৰ্থ হৈছে। চলিত বৰ্ষত সমগ্ৰ ভাৰতৰ মুঠ ৬৫০ গৰাকী শিক্ষাৰ্থীয়ে এই জলপানি লাভ কৰিছে। বিহুনাচত এই সাফল্য লাভ কৰিছে যোৰহাট কাৰ্মেল স্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী অন্বেষা তাছাই। অন্বেষাই গুৰু মাধুৰিমা বৰুৱাৰ ওচৰত বিহুৰ প্ৰশিক্ষণ লৈ আছে। অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি প্ৰহ্লাদ চন্দ্ৰ তাছাৰ পো-নাতি অন্বেষাৰ এই সাফল্যত তেওঁৰ গুৰু, সহযোগী শিল্পী আৰু শুভাকাংক্ষীসকল উৎফুল্লিত হৈ পৰিছে। যোৰহাট কাৰ্মেল স্কুলৰ অধ্যক্ষ, শিক্ষকমণ্ডলী তথা শিক্ষাৰ্থীসকলেও তেওঁক অভিনন্দন আৰু আশিস জনাইছে।

# ড'নাক নাট্য বিদ্যালয়ৰ ৩ শিক্ষাৰ্থীলৈ যুৱশিল্পী জলপানি

**ই-সংবাদ, মঙলদৈ, ২২ মে':** দৰং জিলাৰ মঙলদৈস্থিত ড'নাক নাট্য বিদ্যালয়ৰ তিনি ছাত্ৰই ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ চি চি আৰ টি অধীনত থিয়েটাৰ শিতানত যুৱশিল্পী জলপানি বঁটা লাভ কৰিছে। ড'নাক নাট্য বিদ্যালয়ৰ অধ্যক্ষ ঋতুপৰ্ণ কলিতাই জনোৱা মতে, এই জলপানি নগাঁও জিলাৰ মৰিকলং শিয়ালেখোৱাৰ জাহ্নৱ প্ৰাণ কাশ্যপ, গোলাঘাট জিলাৰ কমাৰগাঁৱৰ দীক্ষিতা ভূঞা আৰু মঙলদৈৰ ৰিতুপৰ্ণা কাশ্যপে লাভ কৰিছে। উল্লেখ্য যে মঙলদৈৰ ড'নাক নাট্য বিদ্যালয়ৰ অধ্যক্ষ ঋতুপৰ্ণ কলিতাই যোৱা দুই দশকতকৈ অধিক কালৰে পৰা এই নাট্য জগতখনত নাট তথা অভিনয়ৰ পদ্ধতিগত প্ৰশিক্ষণ প্ৰদান কৰি আহিছে।




পশ্চিম যোৰহাটত পালন কৰা জৈৱ-বৈচিত্ৰ্য দিৱসৰ দৃশ্য

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিটিচি নিৰ্বাচনঃ ওদালগুৰি জিলাৰ ১০

সমষ্টিৰ বাৱে বাৱেও চলিছে প্ৰতিটো ৰাজনৈতিক দলৰ ব্যাপক কুজকাৱাজ। সম্প্ৰতি জিলা খনৰ ১০ টা সমষ্টিৰ ভিতৰত পাঁচটাত ইউপিপিএল ৪ টা বিজেপি আৰু ১ টা বিপিএফৰ দখলত আছে। এইবাৰ জিলাখনৰ অধিকাংশ সমষ্টিয়ে বিজেপিয়ে দখল কৰাৰ বাবে আৰম্ভ কৰিছে প্ৰস্তুতি। জিলাখনৰ প্ৰতিটো মণ্ডলতে যোগদান সভাৰে নিৰ্বাচনী কুজকাৱাজ অব্যাহত ৰাখিছে দলটোৱে। কেৱল এয়াই নহয় গাৱে-গাৱে সভা অনুষ্ঠিত কৰাৰ লগতে বিভিন্ন প্ৰান্তত চলাই নিছে যোগদান কাৰ্যসূচী। ইফালে আজি বিজেপিৰ কাৰ্যালয়ত হৰিশিঙা মণ্ডল সমিতিৰ এক যোগদান সভা অনুষ্ঠিত হয়। হৰিশিঙা পৰিদষদীয় সমষ্টিৰ একাধিক সংখ্যালঘু লোকৰ লগতে ইউপিপিএল আৰু বিপিএফৰ কৰ্মীয়েও দলটোত আনুষ্ঠানিকভাৱে যোগদান কৰে। বিজেপিৰ জিলা সমিতিৰ সাধাৰন সম্পাদক অজয় কুমাৰ হাজৰিকাই আতথৰা যোগদান অনুষ্ঠানত অসমৰ সংখ্যালঘু মৰ্চাৰ সভাপতি তথা প্ৰাক্তন সাংসদ শান্তিয়াচ কুজুৰ, বিজেপিৰ জিলা সমিতিৰ সভাপতি সুনীল বসুমতাৰী, উপসভাপতি বিকন ডেকা, কোষাধ্যক্ষ গাওা খুংগুৰ বসুমতাৰী, সম্পাদক বাবলি কলিতা, উপ-সভানেত্ৰী ৰেখা বৰা, হৰিশিঙা মণ্ডল বি জে পিৰ সভাপতি জিতেন ৰাভাকে ধৰি কেবাজনো দলীয় নেতা উপস্থিত থাকে। যোগদান কাৰ্যসূচীত উপস্থিত থাকি বিজেপিৰ জিলা সমিতিৰ সভাপতি সুনীল বসুমতাৰীয়ে সাংবাদিকৰ আগত আগন্তুক বিটিচি নিৰ্বাচনৰ বাৱে জিলা খনত ১০ টা সমষ্টিতে বিজেপি দল সাজু হৈ থকা বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে ইতিমধ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিটিচিৰ জয়ৰ সম্ভৱনা থকা প্ৰায় ২৫ টা মান সমষ্টিত দলীয় প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ কথা উল্লেখ কৰিছে। তেনেক্ষেত্ৰত ওদালগুৰিৰ কোন কোন সমষ্টিত প্ৰাৰ্থিত্ব দিয়ে সেয়া সময়তহে জানিব পৰা যাব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কিমান সমষ্টিত নিৰ্বাচন খেলিব সেই

দাখিল কৰিব বুলি জানিব পৰা গৈছে। পৰ্যবেক্ষকসকলৰ প্ৰতিবেদনৰ ভিত্তিতে আগন্তুক বিটিচি নিৰ্বাচনত বিজেপিয়ে কিমানটা সমষ্টিত প্ৰাৰ্থী দিব সেয়া সিদ্ধান্ত গ্ৰহণ কৰিব। ইপিনে বিটিচিৰ কিমানটা সমষ্টিত বিজেপিয়ে প্ৰাৰ্থী দিব সেই সন্দৰ্ভত মন্ত্ৰী অশোক সিংঘলক সাংবাদিকে প্ৰশ্ন কৰাত তেওঁ কয় যে সেই সিদ্ধান্ত মুখ্যমন্ত্ৰী আৰু ৰাজ্যিক বিজেপিৰ সভাপতিয়ে লব। তেখেতসকলে যি মাগদৰ্শন দিব সেইমতে আগবাঢ়ি যাম বুলি মন্তব্য কৰি বিটিচি দখল কৰা বা তেনে আগ্ৰাসী মনোভাৱ আমাৰ নাই বুলি স্পষ্ট কৰে। অৱশ্যে সকলো ৰাইজৰ আশা-আকাংক্ষাক সম্পূৰ্ণ কৰাৰ চৰকাৰ হ'ব লাগে আৰু তাৰবাবে বিজেপিয়ে কাম কৰি আছে বুলি মন্তব্য কৰে। আনহাতে এবছুৰ সভাপতি দ্বীপেন বড়োৱে বিজেপিত যোগদান কৰিব নেকি বুলি সোধা প্ৰশ্নোত্তৰত অশোক সিংঘলে এই সন্দৰ্ভত কোনো ধৰণৰ মন্তব্য কৰিবলৈ অস্বীকাৰ কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# খাৰুপেটীয়া চহৰত 'স্বম্ভু'ৰ সন্ত্ৰাস

খুন্দিয়াই আঘাত কৰাত গুৰুতৰভাৱে আহত হয় চকীদাৰজন। ঘটনাস্থলীৰ ওচৰে পাজৰে থকা লোকসকলে দৌৰা দৌৰিকৈ আহি যাঁড় গৰুটোক খেদি গুৰুতৰভাৱে আহত ইন্দ্ৰ বাহাদুৰক প্ৰথমে বুটীগাঁৱৰ ডিউ কেয়াৰ হাস্পতাললৈ নিয়ে যদিও অৱস্থা সংকজনক হোৱাত চিকিৎসকে জি এম চি এইচলৈ প্ৰেৰণ কৰে। আবেলি পাঁচ বজাত GMCHত তেওঁ কৰুণ মৃত্যুক সাৱটি লয়। মৃত ইন্দ্ৰ বাহাদুৰৰ ঘৰ ধনশ্ৰীৰ শ্বিলংখুৰি গাঁৱত বুলি জানিব পৰা গৈছে। ঘটনা সংক্ৰান্তত খাৰুপেটীয়া আৰক্ষীক অৱগত কৰি গৰাকীবিহীন এই যাঁড় গৰু স্বম্ভুৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনায় ক্লাবৰ কৰ্তৃপক্ষই। উল্লেখ্য যে, স্বম্ভুয়ে বহুদিনৰ পৰাই খাৰুপেটীয়াত এটাৰ পিছত আন এটা সন্ত্ৰাস চলাই আহিছে। স্বম্ভুৰ ভয়ত খাৰুপেটীয়া চহৰত বজাৰ কৰিবলৈ অহা লোকসকলে বাইক বা অটোৰিক্সা বা ই-ৰিক্সা বা চাইকেল আদিত থ'ব নোৱাৰে কোনো খাদ্য সামগ্ৰী।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অসম চৰকাৰ আৰু আইআইটি

(আইআইটি) গুৱাহাটীৰ মাজত এক গুৰুত্বপূৰ্ণ বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। দিশপুৰস্থিত জনতা ভৱনত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকাৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰিত হয়। আইআইটি গুৱাহাটীৰ সঞ্চালক অধ্যাপক সুকুমাৰ নন্দী আৰু জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা ভাস্কৰ শৰ্মাৰ মাজত স্বাক্ষৰিত এই চুক্তি অনুসৰি, জলসম্পদ বিভাগৰ ২০ গৰাকী অভিযন্তাই প্ৰতিবছৰে আইআইটি গুৱাহাটীত জলসম্পদ বিষয়ক অনলাইন এম.টেক. পাঠ্যক্ৰমত নামভৰ্তিৰ সুবিধা লাভ কৰিব । বিশ্ব বেংকৰ সহযোগত চলি থকা অসম বান আৰু নদী খহনীয়া ব্যৱস্থাপনা প্ৰাধিকৰণ (FREMAA)-ৰ এক বিস্তৃত প্ৰকল্পৰ অংশ হিচাপে গ্ৰহণ কৰা এই পদক্ষেপৰ জৰিয়তে, পৰৱৰ্তী ১০ বছৰত বিভাগৰ প্ৰায় ২০০ গৰাকী অভিযন্তাই উন্নত প্ৰযুক্তিগত জ্ঞান লাভৰ সুবিধা পাব। এই পাঠ্যক্ৰমৰ জৰিয়তে বিভাগটোক আধুনিক প্ৰযুক্তি ব্যৱহাৰৰ দিশত অধিক শক্তিশালী কৰি তোলাৰ লক্ষ্য ৰখা হৈছে। এই অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰিকাই কয়, "চিকিৎসা ক্ষেত্ৰত জড়িত ব্যক্তিসকলে যেনেদৰে নিয়মিতভাৱে নতুন জ্ঞান আৰু উদ্ভাৱন আহৰণৰ বাবে চেমিনাৰ আৰু পাঠ্যক্ৰমত অংশ লয়, তেনেদৰে জলসম্পদৰ দৰে সংবেদনশীল বিষয়ৰ সৈতে জড়িত অভিযন্তাসকল আধুনিক প্ৰযুক্তিৰ বিষয়ে সদায় অৱগত থকাটো অতি প্ৰয়োজনীয়।" মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত জলসম্পদ বিভাগে প্ৰতিবছৰে প্ৰায় ২০০০ কোটি টকাৰ বাজেটৰ জৰিয়তে কাম কৰি আছে আৰু বিগত ৪ বছৰত বানৰ প্ৰকোপ ৬০-৭০ শতাংশলৈ হ্ৰাস কৰিবলৈ সক্ষম হৈছে। "বহুবছৰ ধৰি বানপানীয়ে অসমক পিছপেলাই ৰাখিছে। বৰ্তমান পুঁজিৰ অভাৱ নাই, কিন্তু সঠিক প্ৰযুক্তিৰ ব্যৱহাৰ নোহোৱালৈকে স্থায়ী সমাধান সম্ভৱ নহয়," বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে যে, আইআইটি গুৱাহাটীৰ সৈতে এই একাডেমিক সহযোগিতাৰ জৰিয়তে বিভাগটোক প্ৰযুক্তিগতভাৱে অধিক সক্ষম কৰি তোলা যাব। তেওঁ লগতে কয় যে ৰাজ্যত প্ৰায় ৪৫০০ কিমি দৈৰ্ঘ্যৰ মথাউৰি আছে, যাৰ বহুতো অংশৰ আধুনিক প্ৰযুক্তিৰ সহায়েৰে পুনঃসংস্কাৰ কৰা প্ৰয়োজন। এই ক্ষেত্ৰত আজিৰ বুজাবুজিৰ চুক্তিখনে উল্লেখযোগ্য ভূমিকা পালন কৰিব বুলি তেওঁ বিশ্বাস প্ৰকাশ কৰে। সম্প্ৰতি বিভাগে ভৰ ভাৰিষাৰ মাজতে জিঅ' মেগা টিউব ব্যৱহাৰ কৰি কম সময়ৰ ভিতৰতে মথাউৰি মেৰামতিৰ কাম সফলতাৰে সম্পন্ন কৰাৰ কথাও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ অভিযন্তাসকলক আহ্বান জনায় যাতে এই সুযোগৰ সদ্ব্যৱহাৰ কৰি বান আৰু খহনীয়া নিয়ন্ত্ৰণ ব্যৱস্থাত এক নতুন মাত্ৰা প্ৰদান কৰে। উল্লেখ্য যে, FREMAA-ৰ মুখ্য কাৰ্যবাহী বিষয়া ডঃ জীৱন বিয়ে আদৰণী ভাষণ আগবঢ়োৱা আজিৰ অনুষ্ঠানত জলসম্পদ বিভাগৰ সচিব পৱিত্ৰ ৰাম খাউণ্ড আৰু আইআইটি গুৱাহাটীৰ সঞ্চালক অধ্যাপক সুকুমাৰ নন্দীয়েও বক্তব্য আগবঢ়ায়। তদুপৰি বিশ্ব বেংকৰ গ্লোবেল লীড গ্ৰেগ ব্ৰাউডাৰ, জলসম্পদ বিভাগৰ অধীনস্থ অভিযন্তা-বিষয়া আৰু আইআইটি গুৱাহাটী সংস্থাপনাৰ বহুজন অধ্যাপকে এই অনুষ্ঠানত অংশ গ্ৰহণ কৰে।

# সন্ত্ৰাসবাদ বিৰোধী অভিযানত ভাৰতে লাভ কৰিছে বিশ্বৰ সমৰ্থন

**নতুন দিল্লী, ২২ মে’:** সংযুক্ত আৰব আমিৰশ্বাহী আৰু জাপানে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ বিশ্বব্যাপী অভিযানক মুকলিকৈ সমৰ্থন জনাইছে। শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দে আৰু জেডিইউৰ সাংসদ সঞ্জয় ঝাৰ নেতৃত্বত ৭টা বহুদলীয় প্ৰতিনিধি দলৰ ভিতৰত প্ৰথমটো প্ৰতিনিধি দলে বৃহস্পতিবাৰে ক্ৰমে ইউ এ ই আৰু জাপানত উপস্থিত হোৱাৰ লগে লগে দেশকেইখনে ভাৰতলৈ সমৰ্থন আগবঢ়ায়। ২২ এপ্ৰিলৰ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতি প্ৰতিক্ৰিয়া জনাই আৰম্ভ কৰা অপাৰেশ্যন সেন্দুৰৰ পাছত ভাৰতৰ কূটনৈতিক প্ৰচাৰৰ অংশ হিচাপে এই প্ৰতিনিধি দলসমূহে গুৰুত্বপূৰ্ণ দেশসমূহ ভ্ৰমণ কৰিছে। উপস্থিত হোৱাৰ লগে লগে প্ৰতিনিধিসকলে স্থানীয় বিষয়াসকলক সন্ত্ৰাসবাদক সমৰ্থন কৰাত পাকিস্তানৰ ভূমিকাৰ প্ৰমাণ দাখিল কৰে। বৈঠকৰ সময়ত দুয়োটা প্ৰতিনিধি দলে বিদেশী সমকক্ষসকলক ভাৰতৰ স্থিতি সম্পৰ্কে বিশদভাৱে বৰ্ণনা দিছিল, য’ত এনে প্ৰমাণ দাঙি ধৰা হয় যিয়ে পাকিস্তানে সন্ত্ৰাসবাদী অভিযানক আশ্ৰয় আৰু পুঁজি অব্যাহত ৰাখিছে বুলি প্ৰকাশ কৰে। ইউএইত শ্ৰীকান্ত সিন্দেৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলে ইউএইৰ সংসদৰ সদস্যসকলৰ সৈতে দ্বিতীয়বাৰৰ বাবে বৈঠকত মিলিত হয়। জানিব পৰা মতে, আমিৰশ্বাহীৰ বিষয়াসকলে ভাৰতৰ এই প্ৰচাৰৰ শলাগ লয়। বৈঠকৰ সময়ত ইউএইৰ বিষয়াসকলে কয় যে ইছলামে নিৰীহ সাধাৰণ নাগৰিকক হত্যা কৰাৰ শিক্ষা নিদিয়ে আৰু স্পষ্ট কৰি দিয়ে যে দেশখনে সন্ত্ৰাসবাদৰ কাৰ্যক সহ্য নকৰে। ইয়াৰ পূৰ্বে ভাৰতীয় প্ৰতিনিধি দলটোৱে আবুধাবিত ইউএইৰ সহনশীলতা আৰু সহাৱস্থান মন্ত্ৰী শ্বেইখ নাহায়ান মাবাৰক আল নাহিয়ানক সাক্ষাৎ কৰিছিল। ইফালে, জেডিইউৰ সাংসদ সঞ্জয় ঝাৰ নেতৃত্বত জাপানলৈ যোৱা প্ৰতিনিধি দলৰ আগত জাপানী বিষয়াসকলেও সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতিৰ সমৰ্থন কৰে। জাপানৰ বৈদেশিক মন্ত্ৰী তাকেছি ইৱায়াই ভাৰতীয় দলৰ সৈতে হোৱা আলোচনাৰ সময়ত “সন্ত্ৰাসবাদৰ বিৰুদ্ধে এই যুঁজত জাপান ভাৰতৰ সৈতে থিয় দিছে” বুলি দৃঢ়তাৰে কয়।



শ্ৰীনগৰৰ দাল লেকত ত্ৰিৰংগা ৰেলীত অংশগ্ৰহণ বিজেপি কৰ্মীৰ, ফটো, বৃহস্পতিবাৰ

# অশোকা বিশ্ববিদ্যালয়ৰ বিতৰ্কিত অধ্যাপকক জামিন

**গুৰুগ্ৰাম, ২২ মে’:** অশোকা বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক আলী খান মাহমুদাবাদক আজি উচ্চতম ন্যায়ালয়ে অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰাৰ পাছতে শোণিপাট জিলা কাৰাগাৰৰ পৰা মুকলি কৰি দিয়া হয়। অশোকা বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী মাহমুদাবাদক যোৱা ১৮ মে’ত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতি ভাৰতৰ সামৰিক প্ৰতিক্ৰিয়া “অপাৰেশ্যন সেন্দুৰ” সম্পৰ্কে ছ’চিয়েল মিডিয়াত কৰা পোষ্টৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছিল। ইয়াৰ পাছতে বিজেপিৰ যুৱ নেতা যোগেশ জাথেৰী আৰু হাৰিয়ানা ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষ ৰেণু ভাটিয়াই তেওঁৰ বিৰুদ্ধে দুখন এফআইআৰ দাখিল কৰিছিল। উচ্চতম ন্যায়ালয়ে জামিন প্ৰদান কৰাৰ সময়তে মাহমুদাবাদে ব্যৱহাৰ কৰা শব্দক সমালোচনা কৰি মত প্ৰকাশৰ স্বাধীনতা আৰু নাগৰিক দায়বদ্ধতাৰ মাজত ভাৰসাম্য ৰক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উচ্চতম ন্যায়ালয়ে তেওঁৰ বক্তব্যৰ উদ্দেশ্য আৰু প্ৰসংগ পৰীক্ষা কৰিবলৈ বিশেষ অনুসন্ধান দল গঠন কৰাৰ নিৰ্দেশ প্ৰদান কৰিছে।

# বোৱাৰীয়েকক শহুৰেকৰ ২৫৭মিলিয়ন ডলাৰৰ উপহাৰ

## মিলিয়ন ডলাৰ বোৱাৰী!

**হংকং, ২২ মে’:** কোটিপতি শহুৰেকৰ পৰা ২৫৭ মিলিয়ন ডলাৰতকৈ অধিক মূল্যৰ উপহাৰ লাভ কৰি এশ মিলিয়ন ডলাৰ বোৱাৰী হিচাপে চিহ্নিত হৈছে হংকঙৰ সমাজসেৱী কেথী চুই। দ্য ষ্টেণ্ডাৰ্ডত প্ৰকাশিত এক প্ৰতিবেদন অনুসৰি তেওঁৰ শহুৰেক তথা প্ৰপাৰ্টি টাইকুন লি শ্বাউ কীয়ে মৃত্যুৰ কিছুদিন পূৰ্বে চলিত বৰ্ষৰ মাৰ্চ মাহত কেথীক এখন ইয়াট, এটা অট্টালিকা, সন্তানৰ বাবে শিক্ষাৰ পুঁজি আৰু কেইবালাখ ডলাৰ মবল্যৰ ভূমি উপহাৰ দিছিল। হংকঙৰ দ্বিতীয় ধনী ব্যক্তি লি শ্বাউ কীৰ কনিষ্ঠ পুত্ৰ মাৰ্টিন লীৰ পত্নী কেথী চুই। ২০০৬ চনত কেথী আৰু মাৰ্টিন বিবাহপাশত আবদ্ধ হৈছিল। মাৰ্টিনৰ সৈতে বিয়াৰ আগতে কেথী এগৰাকী অভিনেত্ৰী আছিল। তেওঁ বৰ্তমান হংকঙৰ এগৰাকী সুপৰিচিত সমাজসেৱিকা। কোটিপতি লি পৰিয়ালৰ একমাত্ৰ বোৱাৰী কেথী চুয়ে বিবাহৰ ১৯ বছৰত চাৰিটা সন্তান জন্ম দিয়ে। লি শ্বাউ কী আছিল হংকঙৰ দ্বিতীয় ধনী ব্যক্তি। তেওঁক “এছিয়াৰ ৱাৰেন বাফেট” বুলি কোৱা হৈছিল। তেওঁ আছিল এজন ৰিয়েল এষ্টেট টাইকুন আৰু হেণ্ডাৰচন লেণ্ড ডেভেলপমেণ্টৰ স্বত্বাধিকাৰী। ২০২৫ চনৰ ১৭ মাৰ্চত ৯৭ বছৰ বয়সত তেওঁৰ মৃত্যু হয়।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE

# ছান ডিয়েগোত বিমানৰ খুন্দাত বিধ্বস্ত পোন্ধৰটা ঘৰ

**ছান ডিয়েগো, ২২ মে’:** বৃহস্পতিবাৰে পুৱা ছান ডিয়েগোৰ এটা চুবুৰীত এখন বিজনেছ জেট বিমান দুৰ্ঘটনাগ্ৰস্ত হৈ প্ৰায় ১৫টা ঘৰত জুই লাগি ক্ষতিগ্ৰস্ত হয়। দুৰ্ঘটনাস্থলীত সাংবাদিকক সম্বোধন কৰি ছান ডিয়েগো অগ্নিনিৰ্বাপক বিভাগৰ সহকাৰী মুৰব্বী ডেন এডিয়ে কয় যে বিমানখনে প্ৰায় ১৫টা ঘৰত খুন্দা মৰাৰ ফলত একাধিক ঘৰ আৰু গাড়ীত জুই লাগে। বিমানখন চেছনা প্ৰাইভেট জেট আছিল বুলি অনুমান কৰা হৈছে। সাধাৰণতে ব্যৱসায়িক যাত্ৰাৰ বাবে ব্যৱহাৰ কৰা ব্যক্তিগত জেটখনে ছয়ৰ পৰা আঠজন লোকক কঢ়িয়াই নিব পাৰে। ৰাষ্ট্ৰীয় পৰিবহণ সুৰক্ষা ব’ৰ্ড (এনটিএছবি) আৰু ফেডাৰেল এভিয়েশন প্ৰশাসনে এই দুৰ্ঘটনাৰ তদন্ত কৰি আছে আৰু বিমানখনৰ পাইলট তথা যাত্ৰীসকলক সন্ধান কৰি থকা হৈছে।বিমানখনত থকা লোকৰ সংখ্যা জানিব পৰা হোৱা নাই।

# ভাৰতত বন্ধ হ’ব বাংলাদেশৰ ‘প্ৰাণ’!

**নতুন দিল্লী, ২২ মে’:** ভাৰতৰ নতুন আমদানি নিষেধাজ্ঞাৰ বাবে বাংলাদেশৰ কেইবাটাও কোম্পানী বিপদত পৰিছে। ইয়াৰে এটা হৈছে প্ৰাণ আৰএফএল গ্ৰুপ, যি ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল, উত্তৰ বংগ আৰু দক্ষিণ বংগত প্ৰাণৰ যথেষ্ট জনপ্ৰিয়। শেহতীয়াকৈ ভাৰতৰ বাণিজ্য মন্ত্ৰালয়ে ঘোষণা কৰিছে যে বাংলাদেশৰ পৰা ভাৰতৰ বজাৰত কিছুমান সামগ্ৰী প্ৰৱেশ কৰিব নোৱাৰিব। ইয়াৰ ভিতৰত ৰেডিমেড কাপোৰ, ফল-মূল, ফলৰ সোৱাদযুক্ত পানীয়, প্ৰচেছ কৰা খাদ্য, কপাহ, সূতা, প্লাষ্টিকৰ সামগ্ৰী আদি অন্যতম।

# নিজা মহাকাশ কেন্দ্ৰ স্থাপন কৰিবলৈ সাজু ভাৰত

**নতুন দিল্লী, ২২ মে’:** ইছৰোৱে নিজাকৈ এক মহাকাশ কেন্দ্ৰ কক্ষপথলৈ নিক্ষেপ কৰিবলৈ সাজু হৈছে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ অধ্যক্ষ ভি নাৰায়ণনে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে মহাকাশ বিভাগে বিভিন্ন সংস্থাৰ সমান্তৰালকৈ দেশৰ নাগৰিকৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে কাম কৰি আছে। মহাকাশ কেন্দ্ৰটোৰ বিষয়ে তেওঁ কয় যে ইয়াৰ ওজন ৫০ টনতকৈ অধিক হ’ব। শেহতীয়াকৈ পিএছএলভি-চি৬১/ইঅ’এছ-০৯ অভিযানৰ বিফলতাৰ সন্দৰ্ভত নাৰায়ণনে এই বিপৰ্যয়ক ইছৰোৰ ট্ৰেক ৰেকৰ্ডৰ ব্যতিক্ৰম বুলি অভিহিত কৰে। তেওঁ দৃঢ়তাৰে কয় যে এই বিপৰ্যয়ে কোনো কাৰণতে ইছৰ’ৰ ভৱিষ্যতৰ গগনযানৰ দৰে কাৰ্যসূচীক ট্ৰেকৰপৰা নমাই আনিব নোৱাৰে - যিটো ভাৰতৰ মহাকাশ অন্বেষণৰ বাবে এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হ’ব। "এতিয়া আমি চন্দ্ৰযান-৪ আৰু চন্দ্ৰযান-৫ৰ কামো কৰি আছো। চন্দ্ৰযান-৫ৰ ৩৫০ কেজি ওজনৰ এখন ৰ’ভাৰ কঢ়িয়াই নিয়া ৬৪০০ কেজিৰ লেণ্ডাৰ থাকিব। ইয়াৰ আয়ুস ১০০ দিন হ’ব।" চন্দ্ৰযান-৩ লেণ্ডাৰখনৰ ওজন আছিল ১৬০০ কিলোগ্ৰাম আৰু ২৫ কেজিৰ ৰভাৰ আছিল। চন্দ্ৰপৃষ্ঠৰ পৰা নমুনা ঘূৰাই আনিবলৈ চন্দ্ৰযান-৪ অহা ডেৰ-দুবছৰত উৎক্ষেপণ কৰা হ’ব। ইছৰোৱে দেশৰ প্ৰথমখন মানৱ মহাকাশ যাত্ৰাৰ বাবে প্ৰস্তুতি চলাইছে, যাক ‘গগনযান’ বুলি কোৱা হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পথৰ দুৰৱস্থাক লৈ ছিপাঝাৰত যুৱ-ছাত্ৰ

মাছ ধৰাৰ আনন্দই সুকীয়া! পিছে মাছ ধৰাৰ আনন্দত তেওঁলোকৰ মুখত হাঁহি ফুটি উঠাৰ পৰিৱৰ্তে ক্ষোভৰহে ফিৰিঙতি জিলিকিছে। একেদৰে এয়া মাছে কণী পৰাৰ সময়। আইনমতে কণীযুক্ত মাছ ধৰা কাৰ্য দণ্ডনীয়। সেই বিষয়ে জ্ঞাত হৈও এই পুৰুষ-মহিলাৰ দলটোৱে সমূহীয়াকৈ মাছ ধৰিবলৈ আহিছে কিয়? ৰ'ব! আপুনি ভবাৰ দৰে আইন ভংগ কৰি এয়া সমূহীয়াকৈ মাছ ধৰাৰ কাহিনী নহয়। এয়া এক প্ৰতিবাদী কাৰ্যসূচীহে। উল্লেখ্য যে, দৰং জিলাৰ ছিপাঝাৰৰ এটা অতি গুৰুত্বপূৰ্ণ পথ হ'ল ছিপাঝাৰ-টংলা পথ সংযোগী কঠামাৰা-চেঙেলীয়াঝাৰ পথ। পথটোৰ দুৰৱস্থাই দীৰ্ঘদিন ধৰি ৰাইজক জলা-কলা খুৱাই অহাৰ সমান্তৰালভাৱে সঘনে সংঘটিত হৈ আহিছে দুৰ্ঘটনা। তেনেই ঠেক আৰু ভঙা-ছিঙা পথটোৰে নিতৌ সহস্ৰাধিক যান-বাহন যাতায়াত কৰাৰ বিপৰীতে বিদ্যালয়, মহাবিদ্যালয়ত পঢ়া শতাধিক ছাত্ৰ-ছাত্ৰীয়ে দুচকীয়া বাহনেৰে অহা-যোৱা কৰে। পশ্চিম ছিপাঝাৰৰ এই অতিকৈ গুৰুত্বপূৰ্ণ তথা ৰাজ্যখনৰ লোকনিৰ্মাণ বিভাগৰ অধীনস্থ এই পথটো বহলকৰণ আৰু মেৰামতিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ বিভিন্ন দল-সংগঠনৰ লগতে ৰাইজে দীৰ্ঘদিন ধৰি স্থানীয় বিধায়ক ড০ পৰমানন্দ ৰাজবংশী আৰু লোকনিৰ্মাণ বিভাগক দাবী জনাই আহিছে যদিও আজিকোপতি কাৰো গা লৰা নাই। উল্লেখনীয় যে, যোৱা সপ্তাহটোৰ নেৰানেপেৰা বৰষুণৰ ফলত পথটোৰ দুৱৰীপাৰা অংশটো একাঁঠু পৰ্যন্ত পানীত বুৰ গৈ আছে। তেনে পৰিপ্ৰেক্ষিতত আজি জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ছিপাঝাৰ আঞ্চলিকৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত পথটোৰ ওপৰত মাছ ধৰাৰ প্ৰতীকি কাৰ্যৰে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ভৰ বাৰিষা অহাৰ পূৰ্বেই পথটোৰে অহা-যোৱা সুচল কৰিবলৈ প্ৰয়োজনীয় হস্তক্ষেপ আৰু পদক্ষেপ ল'বলৈ বিধায়ক ৰাজবংশী আৰু লোকনিৰ্মাণ বিভাগক আহ্বান জনাইছে প্ৰতিবাদকাৰীসকলে। প্ৰণিধানযোগ্য যে, বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰ উন্নয়নৰ ফোঁপোলা স্বৰূপটোক প্ৰতিনিধিত্ব কৰি স্থানীয় বিধায়ক ড০ পৰমানন্দ ৰাজবংশীৰ দিনত সমষ্টিটোৰ কেইবাটাও গুৰুত্বপূৰ্ণ পথত চাৰি বছৰ ধৰি শিলগুটি এটাও নপৰাৰ সমান্তৰালভাবে বান বিধ্বস্ত এটা পথৰো মেৰামতি নহ'ল।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সোণোৱাল কছাৰী সাহিত্য সভাৰ নতুন

কছাৰীবাৰীস্থিত সোণোৱাল ভৱনত শপতগ্ৰহণ কৰিব। উল্লেখ্য যে ধেমাজি অধিৱেশনৰ বিষয়বাছনি সভাত এক অবাঞ্চিত পৰিস্থিতিত সভাপতি আৰু মুখ্য সম্পাদকক নিৰ্বাচিত কৰে যদিও পৰৱৰ্তী সময়ত সভাপতি (অমীমাংসিত) প্ৰশান্ত শইকীয়াৰ নিৰ্বাচন অসাংবিধানিক বুলি সভাই বিবেচনা কৰাৰ লগতে বিভিন্ন অভিযোগত সভাৰ পৰা অব্যাহতি প্ৰদান কৰে। আনহাতে দুমাহ ধৰি অচলাৱস্থাৰ অন্তত যোৱা ৪ মে'ত ডিব্ৰুগড়ৰ দুলীয়া-দাইনিজান বাইথ' মন্দিৰ প্ৰেক্ষাগৃহত ৰাজ্যখনৰ সকলো জিলাৰ প্ৰতিনিধিৰ উপস্থিতিত আয়োজিত প্ৰতিনিধি সভাই সৰ্বসন্মতিক্ৰমে পুনৰ মোহন সোণোৱালক সভাপতি, ড০ লৰৰাম সোণোৱাল (ধেমাজি), মাণিক চন্দ্ৰ সোণোৱাল (লক্ষীমপুৰ), যতীন্দ্ৰ নাথ সোণোৱাল (ডিব্ৰুগড়), সুমন্ত বড়া (তিনিচুকীয়া), মনিদীপা লালোৱাৰী (ডিব্ৰুগড়)ক উপ-সভাপতি, মৃদুল সোণোৱালক (ধেমাজি) মুখ্য সম্পাদক, দিগন্ত হাজৰিকা (ডিব্ৰুগড়), জয়া বড়া (তিনিচুকীয়া), ৰিপু কছাৰী (শিৱসাগৰ), পাপু সোণোৱাল (মাজুলী)ক সম্পাদক, প্ৰশান্ত বড়া (তিনিচুকীয়া), মহানন্দ সোণোৱাল (ডিব্ৰুগড়)ক সাংস্কৃতিক সম্পাদক, হেমচন্দ্ৰ কছাৰী (ধেমাজি), হিতেশ্বৰ সোণোৱাল (চাংলাং), উমেশ সোণোৱাল (লক্ষীমপুৰ)ক প্ৰচাৰ সম্পাদক, তোযেশ্বৰ সোণোৱাল (ডিব্ৰুগড়)ক কোষাধ্যক্ষ, ৰিণি শইকীয়া, কল্পজিৎ সোণোৱাল (ধেমাজি)ক পত্ৰিকা সম্পাদক, ডিব্ৰুগড়ৰ ভৱেন সোণোৱালক কাৰ্যালয় সম্পাদক, জিতেন্দ্ৰ সোণোৱাল (যোৰহাট), জয়ন্ত হাজৰিকা (শিৱসাগৰ), কুশ সোণোৱাল (শিৱসাগৰ সদৰ), দ্ৰোণ বড়া (চৰাইদেউ), লক্ষ্যধৰ সোণোৱাল, প্ৰশান্তজিৎ সোণোৱাল (গোলাঘাট), নেত্ৰ বড়া (ধেমাজি)ক সাংগঠনিক সম্পাদক হিচাপে লৈ ২০২৫-২৭ বৰ্ষৰ পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# লাহৰীঘাটৰ বৰচাপৰিত ড্ৰাগছসহ স্বামী

লোকক গ্ৰেপ্তাৰ কৰি জে'ল-হাজোতলৈ প্ৰেৰণ কৰিছে। তৎসত্বেও এইসমূহ অঞ্চলত এটা দুষ্ট চক্ৰই এই নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায় চলাই সুস্থ সমাজত এক অস্থিৰতা বিয়পাইছে। পুনৰ মৰিগাঁও জিলাৰ ভেলৌগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বৰচাপৰিত আজি সন্ধিয়া মৰিগাঁও জিলা আৰক্ষীৰ চোৰাংচোৱাই অভিযান চলাই ইফতিকাৰ আলম আৰু ৰিবিনা খাতুন নামৰ দুজনক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। দুয়ো সম্পৰ্কত স্বামী-স্ত্ৰী। দুয়োৰে পৰা অভিযানকাৰী আৰক্ষী দলটোৱে ৩৭ টা ড্ৰাগছভৰ্তি কন্টেইনাৰ আৰু ৫৬ হাজাৰ নগদ ধন জব্দ কৰে। ইতিমধ্যে দুয়োকে ভেলৌগুৰি আৰক্ষীৰ হাতত গতাই দিয়ে অভিযানকাৰী দলটোৱে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অসহায় বৃদ্ধাক অত্যাচাৰ, ব্যৱস্থা গ্ৰহণত

অসহায় বৃদ্ধাগৰাকীয়ে সময়ে সময়ে দুষ্ট প্ৰকৃতিৰ লোকৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ পাবলৈ স্থানীয় আৰক্ষী লোকৰ কাষ চাপি মৈৰাবাৰী থানাত গোচৰ তৰি আহিছে যদিও আৰক্ষীয়ে তদন্তৰ নামত ভেকোভাওনা ভৰা আৰু ৰহস্যজনক ভূমিকা পালন কৰাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত অভিযোগ মতে অসহায় বৃদ্ধা মহিলাগৰাকী নিজৰ ভূমিত থকা বাসগৃহত দুষ্ট প্ৰকৃতিৰ লোকৰ দলৰ ভয়ত সোমাবলৈ সাহস কৰিব নোৱাৰি বেলেগৰ ঘৰত থাকিবলৈ বাধ্য হৈছে। আজি পৰ্যন্ত বৃদ্ধা গৰাকীৰ গৃহত তলা ওলমাই ৰাখিছে দুষ্ট প্ৰকৃতিৰ লোক কেইটাই। কাৰ আশীৰ্বাদত দুষ্ট প্ৰকৃতিৰ লোকৰ দলটোৱে বৃদ্ধাগৰাকীৰ মাটি নিজৰ দখললৈ আনিবৰ বাবে বিভিন্ন ধৰণে অত্যাচাৰ চলাই অঘৰী বনোৱাত সফল হৈছে আৰু এইক্ষেত্ৰত আৰক্ষীৰ লোকে কিয় দায়িত্বত দুৰ্বলতা প্ৰদৰ্শন কৰি আহিছে তাকে লৈ প্ৰশ্ন উত্থাপন হৈছে। বৃদ্ধাগৰাকীৰ বিষয়টো চৰজমিন তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ভুক্তভোগী পৰিয়ালটোৰ লগতে স্থানীয় ৰাইজে মৰিগাঁও জিলা আৰক্ষী অধীক্ষকৰ ওচৰত দাবী জনোৱাৰ পিছতো কোনো সুফল পোৱা নগ'ল। অৱশেষত উপায়বিহীন হৈ ভুক্তভোগী পৰিয়ালটোৱে মুখ্য মন্ত্ৰীৰ ছেক্ৰেটাৰিষ্টৰ কাষ চপাৰ পিছি প্ৰেক্ষিতে cms. 184/2022/47(10--04-23) চিঠি যোগে মৰিগাঁও জিলা আৰক্ষী অধীক্ষকক তদন্ত ক্ৰমে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জনোৱাৰ পিছতো ন্যায় নাপাই অসহায় বৃদ্ধাগৰাকীয়ে চকুৰে সৰিয়হৰ ফুল দেখাৰ লগতে নীৰৱে চকু টুকিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ৰূপাইত পণ্ডিত আনন্দৰাম বৰুৱাৰ

ৰূপাই (শতদল) শাখা সাহিত্য সভাৰ উদ্যোগত চাহ নগৰী ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিঙস্থিত সৌৰভ কলা পৰিষদৰ প্ৰেক্ষাগৃহত উদযাপন কৰা হ'য়। এই উপলক্ষে ৰূপাই (শতদল) শাখা সাহিত্য সভাৰ সভাপতি বেণু বড়াৰ পৌৰহিত্যত অনুষ্ঠিত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৰা, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমলেশ্বৰ কলিতা, ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ অৰুণা গগৈ বৰুৱা, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা ৰূপাই (শতদল) শাখা সাহিত্য সভাৰ উপ-সভাপতি বীণা দেৱী বৰদলৈ, অৱসৰপ্ৰাপ্ত অধ্যাপিকা প্ৰণিতা সন্দিকৈ, শাখাৰ প্ৰাক্তন উপ-সভাপতি বসন্ত পাত্ৰ, ডুমডুমা (শতদল) শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, সহঃ সম্পাদক দ্বিজেন শৰ্মা, ডুমডুমা লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী ইন্দু দত্ত উজীৰ, সম্পাদিকা ৰঞ্জিতা গগৈ বৰুৱা, ডুমডুমা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষা মালা বৰুৱা কাকতি, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যাপক মিণ্টু উপাধ্যায়, বিপুল ফুকন, টাই আহোম ছাত্ৰ সন্থা, চমুকৈ 'আটাছু' ৰ ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি ৰাহুল আৰন্ধৰা, মুখ্য উপদেষ্টা জগত বৰগোহাঁই, সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক অজিত গগৈ, চিৰসেউজ মইনা পাৰিজাতৰ সভাপতি কাকলি দেৱী বৰুৱা, মানখোৱা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি টুটুমণি মৰাণ, তিনিচুকীয়া জিলা সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ আহ্বায়ক সাৰংগ নাথ, বিশিষ্ট শিক্ষাবিদ মৃগেন শইকীয়া উপস্থিত থকাৰ লগতে সমল ব্যক্তি হিচাপে ডুমডুমা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ইমৰাণ হুছেইন উপস্থিত থাকে। সভাৰ আৰম্ভণিত শাখাৰ সদস্যসকলে অসম সাহিত্য সভাৰ আৰম্ভণী গীত "চিৰ চেনেহী মোৰ ভাষা জননী" পৰিৱেশন কৰে। বিদগ্ধ পণ্ডিত আনন্দৰাম বৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে স্মৃতি ৰোমন্থন কৰা অনুষ্ঠানত বিশিষ্ট অনাতাঁৰ শিল্পী বীণা দেৱী বৰদলৈয়ে এটি সৰস্বতী বন্দনা পৰিৱেশন কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি ইমৰাণ হুছেইনে শিক্ষাৰ্থীসকলক এজাক জোনাকীৰ জিলমিল আখ্যা দিয়াৰ লগতে নিজৰ বক্তৃতাত তেখেতে সংস্কৃত পণ্ডিত আনন্দৰাম বৰুৱাৰ সাহিত্যকৃতিসমূহৰ চমু বিৱৰণ আগবঢ়োৱাৰ উপৰিও সংস্কৃত ভাষাৰ গুৰুত্ব সম্পৰ্কেও আলোকপাত কৰে। ভাৰতীয় জ্ঞান-পৰম্পৰাৰ প্ৰচাৰ, প্ৰসাৰ আৰু ইয়াৰ বিস্তৃতিৰ ক্ষেত্ৰত সংস্কৃত ভাষাই এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি উল্লেখ কৰি সংস্কৃত ভাষাই ভাৰতত যি ধৰণে মৰ্য্যাদা পাব লাগিছিল সেয়া নোপোৱাত আক্ষেপ প্ৰকাশ কৰে। তেখেতে প্ৰাচীন ভাৰতৰ ঐতিহ্য, ভাৰতৰ চহকী কলা-সংস্কৃতিৰ সন্দৰ্ভতো আলোকপাত কৰাৰ লগতে সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰীসকলক নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি দায়বদ্ধ হৈ ভৱিষ্যৎ দিনত অগ্ৰসৰ হ'বলৈ পৰামৰ্শ প্ৰদান কৰে। হুছেইনে অসম সাহিত্য সভাৰ সমন্বয় যাত্ৰাকে প্ৰমুখ্যে কৰি শেহতীয়া পদক্ষেপসমূহত সন্তোষ প্ৰকাশ কৰি অসম সাহিত্য সভা জাতিৰ সংকটকালত অতন্দ্ৰ প্ৰহৰীৰূপে থকাৰ কথাও উল্লেখ কৰে। সভাত ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমলেশ্বৰ কলিতাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি সাৰুৱা বক্তব্য প্ৰদান কৰাৰ লগতে শিক্ষাবিদ মৃগেন শইকীয়া, অধ্যাপক দ্বিজেন শৰ্মাই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জীৱনৰ শুভেচ্ছাৰে বক্তব্য প্ৰদান কৰে। সভাত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৰূপাই ডনবস্ক' হাইস্কুলৰ ছাত্ৰী অনুস্মিতা ভৰদ্বাজে (ডুমডুমা পৰীক্ষা কেন্দ্ৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত- ৯৪.৮%) নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে শিক্ষা আহৰণ কৰাত শিক্ষানুষ্ঠান কেতিয়াও হেঙাৰ হ'ব নোৱাৰে। ছাত্ৰ সমাজে স্থানীয় বিদ্যালয়-মহাবিদ্যালয়ৰ লগতে বয়োজ্যেষ্ঠ ব্যক্তি, শিক্ষক সমাজৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি জীৱনত আগবাঢ়ি যাব লাগে। সভাত ৰূপাইস্থিত স্কুলৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ৮ গৰাকী কীৰ্তিমানক সম্বৰ্দ্ধনা জনোৱাৰ লগতে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৰূপাইস্থিত বিদ্যালয় আৰু মহাবিদ্যালয় ভিতৰত কলা শাখাত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ৬ গৰাকী, বাণিজ্য শাখাত ৪ গৰাকী আৰু বিজ্ঞান শাখাত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ৩ গৰাকী কীৰ্তিমানক সম্বৰ্দ্ধনা জনোৱা হ'য়। আনহাতে, হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰূপাইস্থিত স্কুলৰ ভিতৰত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ৯ গৰাকী আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত ৰূপাইস্থিত বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ভিতৰত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ৪ গৰাকী কীৰ্তিমানক সম্বৰ্দ্ধনা জনোৱা হ'য়। অনুষ্ঠানত অঞ্চলটোৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ১০৪ গৰাকী আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত কলা, বাণিজ্য আৰু বিজ্ঞান শাখাৰ ৯৭ গৰাকী শিক্ষাৰ্থীকে ধৰি সৰ্বমুঠ ২৪২ গৰাকী শিক্ষাৰ্থীক সম্বৰ্দ্ধনা জনোৱা হ'য়। শাখাৰ সম্পাদক ৰাতুল গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া, স্থানীয় ব্যক্তিকে ধৰি প্ৰায় তিনি শতাধিক লোক উপস্থিত থাকে।

## তিতকুছিৰ অনন্ত সত্ৰৰ পালনাম মহোৎসৱত পীতাম্বৰ দেৱগোস্বামী

# 'মানুহ আত্মকেন্দ্ৰিক হোৱা চৰিত্ৰৰ পৰা আঁতৰি আহিব লাগিব'

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২২ মে':** কামৰূপ জিলাৰ তিতকুছিৰ শ্ৰীশ্ৰী অনন্ত সত্ৰৰ পালনাম মহোৎসৱৰ ৩০০ বছৰীয়া জয়ন্তী উদযাপন এক বৰ্ণাঢ্য পৰিবেশত আজিৰে পৰা আৰম্ভ হৈছে। পূব-কামৰূপ অঞ্চলৰ ধৰ্মপ্ৰাণ ৰাইজৰ সহযোগত চাৰিদিনীয়াকৈ অনুষ্ঠিত এই মহোৎসৱত আজি বিয়লি ভাগত এক ধৰ্মালোচনা সভা অনুষ্ঠিত কৰা হয়। "সত্ৰীয় সংস্কৃতিত শ্ৰীমন্ত শংকৰদেৱৰ প্ৰপন্ন শিষ্য দামোদৰ দেৱৰ প্ৰাসংগিকতা" বিষয়বস্তু হিচাপে লৈ এখন ধৰ্মলোচনা সভা অনুষ্ঠিত হয় ।'!! দৈনিক অসম কাকতৰ সম্পাদক ড° হিতেশ ডেকাই উদ্বোধন কৰা গাম্ভীৰ্য্যপুৰ্ণ এই অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাবে উপস্থিত থাকে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড°পীতাম্বৰ দেৱ গোস্বামী। ড° গোস্বামীয়ে ভক্তপ্ৰাণ ৰাইজৰ সন্মুখত আগবঢ়োৱা তত্বগধুৰ ভাষণত মানুহক আত্মকেন্দ্ৰিক হোৱা চৰিত্ৰৰপৰা আতৰি আহিব লাগিব বুলি উল্লেখ কৰি একাংশ লোক আদিম যুগলৈ উভতি গৈ ভাৰতীয় সভ্যতা সংস্কৃতি ধ্বংস কৰিছে বুলি মন্তব্য কৰে । নিজৰ বক্তব্যত লগতে সত্ৰাধিকাৰগৰাকীয়ে সত্ৰ সংস্কৃতি এক সামাজিক সত্তা বুলি উল্লেখ কৰে ।ধৰ্মালোচনী সভাৰ উদ্বোধক তথা দৈনিক অসমৰ সম্পাদক ড°হিতেশ ডেকায়ো আজিৰ সমাজ ব্যৱস্থাত জ্যেষ্ঠজনৰ প্ৰতি একাংশৰ শ্ৰদ্ধা নোহোৱাত আক্ষেপ প্ৰকাশ কৰে। চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ অন্তত অহা ২৫ মেত সামৰণি পৰিবলগীয়া তিতকুছিৰ ৩০০ বছৰীয়া বাৰ্ষিক পালনাম মহোৎসৱলৈ আমন্ত্ৰণ জনোৱা হৈছে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক। ৰাজ্যৰ জনপ্ৰিয় মুখ্যমন্ত্ৰীগৰাকীৰ লগতে বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি ভবেশ কলিতা, সাংসদ তথা বৰ্তমানৰ বিজেপিৰ ৰাজ্যিক সভাপতি দিলিপ শইকীয়া, মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, ৰাজ্যিক কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্য, প্ৰমুখ্যে কেইবাগৰাকীও গণ্যমান্য ব্যক্তি এই পালনাম মহোৎসৱত পৰ্যায়ক্ৰমে উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক ।

# ভৱানীপুৰৰ মাধৱপুৰত বিকশিত অসমৰ নগ্ন ছবি



**ই-সংবাদ, ভৱানীপুৰ, ২২মে':** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিকশিত অসমৰ ধাৰণাক অসাৰ প্ৰতিপন্ন কৰি ভৱানীপুৰৰ মাধৱপুৰত প্ৰতিফলিত হৈছে বিকশিত অসমৰ এক নগ্ন ছবি। একাঠুৰনীয়া বোকা-পানী গছকি পাৰ হ'বলগীয়া হৈছে সাধাৰণ ৰাইজৰ লগতে গাড়ী-মটৰ আৰোহী আৰু ছাত্ৰ-ছাত্ৰী। ইতিমধ্যে একাঁঠু বোকা-পানীত সোমাই অনেকেই বহু অনাকাংক্ষিত বিপদৰ পৰা কথমপি নিজৰ প্ৰাণটো বচাবলৈ সক্ষম হোৱাৰ বিষয়ে জানিব পৰা গৈছে। আজি এই সাংবাদিকে ভ্ৰমণকালত ভৱানীপুৰৰ মাধৱপুৰৰ সমীপেৰে বৈ যোৱা পহুমাৰা নৈৰ মথাউৰিৰ বাওঁ অংশত এনে এখন ছবি প্ৰত্যক্ষ কৰি বিতৃৰ্তি খাবলগীয়া হয়। উল্লেখ্য যে, বৃহত্তৰ অঞ্চলটোৰ ৰাইজে অহা-যোৱা পথ হিচাপে ব্যৱহাৰ কৰা মাধৱপুৰত মথাউৰিৰ এনে দৃশ্য বিগত কেইবাবছৰ ধৰি সৃষ্টি হোৱাৰ কথা জানিবলৈ দিছে স্থানীয় ৰাইজে। একপ্ৰকাৰ গোহালিসদৃশ অৱস্থাত পৰিণত মথাউৰিৰ এশ মিটাৰতকৈ অধিক দৈৰ্ঘত সৰ্বত্ৰই দীঘলীয়া পানীৰ দোঙা আৰু আঠুলৈকে সোমাই যোৱা বোকাৰ মাজেৰে ৰাইজে বিপদসংকুলভাৱে অহা-যোৱা কৰা পৰিলক্ষিত হয়। স্থানীয় ৰাইজে পথ হিচাপে ব্যৱহৃত মথাউৰিৰ সৈতে বিভিন্ন উপ-পথেৰে সৈতে ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোজিত হোৱাৰ লগতে স্থানীয় ৰাইজে দীৰ্ঘদিন পথছোৱাক ভক্তৰদবা, কয়াকুছি আদি ঠাইসমূহলৈ অহা-যোৱা কৰাৰ বাবে হ্ৰস্ব দূৰত্বৰ পথ হিচাপে ব্যৱহাৰ কৰি অহাৰ কথা জানিবলৈ দিয়ে। পথ হিচাপে ব্যৱহাৰৰ সুবিধাৰ লক্ষ্যৰে মথাউৰিৰ ওপৰৰ ঠায়ে ঠায়ে কিছু ঠাইত 'ব্লক টেপিং' পদ্ধতিৰে উন্নীত কৰি লোৱা হৈছে যদিও আন বহু ঠাইতে পথছোৱা কেঁচা হৈয়েই থকাৰ কথাও স্থানীয় ৰাইজে জানিবলৈ দিছে। ফলত বৰষুণ আহিলেই মথাউৰিৰ ওপৰৰ পথছোৱাৰ ঠায়ে ঠায়ে গোহালিসদৃশ অৱস্থালৈ পৰ্যবসিত হোৱাৰ কথাও জানিবলৈ দিছে স্থানীয় ৰাইজে। আনহাতে, মথাউৰি নিৰ্মাণেৰে জড়িত বিষয়া-ঠিকাদাৰৰ দুৰ্নীতিৰ বাবেই পথছোৱাই এনে ৰূপ পোৱা বুলি স্থানীয় ৰাইজে মন্তব্য কৰিছে।

# হালাকুৰাত চিলনী চোৰে কাঢ়ি নিলে সোণৰ চেইন

**ই-সংবাদ, গোলকগঞ্জ, ২২ মে':** ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী তালাচী চকীৰ পৰা মাত্ৰ এশ মিটাৰ নিলগত আজি দুপৰীয়া বাইকত অহা দুই চিলনী চোৰে এগৰাকী মহিলাৰ ডিঙিৰ চেইন কাঢ়ি নিয়া ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, পশ্চিমবংগৰ কাশিয়াবাৰীৰ প্ৰতিভা বেপাৰী আহিছিল আৰক্ষী চকী সংলগ্ন বিদ্যাৰডাবৰী পঞ্চম খণ্ড গাঁৱৰ মাতৃ গৃহত। দুপৰীয়া কাষৰে দোকান এখনলৈ ওলাই গৈছিল কিবা আনিবলৈ। হঠাতে পিছফালৰ বাইকত অহা দুই অচিনাক্ত দুৰ্বৃত্তই ডিঙিৰ পৰা থপিয়াই নিয়ে সোণৰ চেইন। ঘটনা সংঘটিত কৰিয়ে দুৰ্বৃত্ত তীব্ৰ বেগত পলায়ন কৰে। এই সন্দৰ্ভত ভুক্তভোগীয়ে হালাকুৰা আৰক্ষী তালাচী চকীত এজাহাৰ দাখিল কৰিছে। স্থানীয় ৰাইজে অভিযোগ কৰা মতে, হালাকুৰা তালাচী চকীত নয়ন জ্যোতি পাটোৱাৰী ভাৰপ্ৰাপ্ত বিষয়া হিচাপে যোগদান কৰাৰ পিছৰে পৰা অঞ্চলটোৰ আইন-শৃংখলা পৰিস্থিতিৰ যথেষ্ট অৱনতি হৈছে। বিশেষকৈ অঞ্চলটোত ব্যাপক হাৰত বৃদ্ধি পাইছে অবৈধ ড্ৰাগছৰ বেহা। সমান্তৰালকৈ বৃদ্ধি পাইছে ড্ৰাগছ সেৱনকাৰীৰ সংখ্যাও। গোলকগঞ্জ থানাৰ বিষয়া হালাকুৰা অঞ্চলত অভিযান চলাই সঘনাই ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰা ঘটনাই বিষয়া পাটোৱাৰীৰ কৰ্ম দক্ষতাৰ ওপৰত প্ৰশ্ন তুলিছে অসন্তুষ্ট ৰাইজে। লোহাজানীত এগৰাকী নাবালিকা অপহৰণ হোৱাৰ এপষেক উকলি যোৱাৰ পিছতো সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই বিষয়াগৰাকী। অকল এজাহাৰ লৈয়ে দায়িত্ব সামৰিছে। হালাকুৰা অঞ্চলত অকল ড্ৰাগছে নহয় নিষিদ্ধ গো-মাংসৰ অবৈধ ব্যৱসায় ব্যাপক হাৰত বৃদ্ধি হোৱা বুলিও অভিযোগ উত্থাপন কৰিছে ৰাইজে।

# উচ্চতৰ মাধ্যমিকলৈ উন্নীত হ'ল দৰঙৰ ধূলা হাইস্কুল

**ই-সংবাদ বিশেষ, মঙলদৈ, ২২ মে':** দৰং জিলাৰ পূব প্ৰান্তৰ সংখ্যালঘু অধ্যুষিত ধূলাত অৱস্থিত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ধূলা হাইস্কুল এতিয়া ধূলা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হ'ল। ১৯৬২ চনত প্ৰতিষ্ঠিত এই বিদ্যালয়খনত আজিৰেপৰা আৰম্ভ হৈছে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কলা শাখাৰ পাঠ্যক্ৰম। প্ৰথম বৰ্ষত নামভৰ্তি কৰিছে এশগৰাকী ছাত্ৰ-ছাত্ৰীয়ে। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহিবুৰ ৰহমানে জনোৱা মতে, এইবাৰ অসমীয়া আৰু ইংৰাজীৰ লগতে ৰাজনীতি বিজ্ঞান, শিক্ষা, ভূগোল, দৰ্শন আৰু তৰ্ক শাস্ত্ৰ বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ উপৰি তিনিটা ভকেচনেল বিষয় ক্ৰমে অটোমটিভ, টুৰিজিম এণ্ড হস্পিতেলিটি আৰু বিহু অন্তৰ্ভুক্ত কৰা হৈছে। বিদ্যালয়খনত উচ্চতৰ মাধ্যমিক খণ্ডৰ বাবে নতুনকৈ শিক্ষক নিযুক্তি দিয়া হোৱা নাই যদিও পূৰ্বৰ পৰা নিয়োজিত হৈ থকা স্নাতকোত্তৰ ডিগ্ৰীধাৰী শিক্ষকসকলেই এই একাদশ শ্ৰেণীত পাঠদান কৰিব বুলি ভাৰপ্ৰাপ্ত অধ্যক্ষগৰাকীয়ে জনাইছে। আজি একাদশ শ্ৰেণীৰ পাঠদান নতুনকৈ আৰম্ভ কৰাৰ প্ৰাকমুহূৰ্তত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা মঙলদৈৰ বিধায়ক বসন্ত দাস, দৰঙৰ জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতি, মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমলা কান্ত বৰা, দৰং জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰাতুল কুমাৰ দাস, মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মৌচুমী চহৰীয়া শৰ্মা, বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহিবুৰ ৰহমান সমন্বিতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিতিত আজিৰ পৰা পাঠদান প্ৰক্ৰিয়া শুভাৰম্ভ কৰা হয়। অতিথি সকলে বিদ্যালয় চৌহদত ২০ জোপা গছ পুলি ৰোপণৰ জৰিয়তে বিদ্যালয়ৰ পৰিৱেশ উন্নয়নৰ এক নতুন দিগন্ত উন্মোচন কৰে। লগতে নতুনকৈ নামভৰ্তি কৰা ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত পাঠ্যপুথি বিতৰণ কৰা হয় আৰু বিধায়ক বসন্ত দাসৰ তৰফৰ পৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক এখনকৈ পকাবন্ধা বহী আৰু কলম উপহাৰ স্বৰূপে প্ৰদান কৰা হয়। অনাগত দিনত এই বিদ্যালয়খনে মানৱ সম্পদ নিৰ্মাণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি অতিথিসকলে আশা প্ৰকাশ কৰে।

# জাকৈ-প’ল হাতত লৈ ৰাজপথত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তীব্ৰ প্ৰতিবাদ




**ই-সংবাদ, দুনী, ২২ মে':** ছিপাঝাৰৰ দুৱৰীপাৰাত লোক নিৰ্মাণ বিভাগৰ বিধ্বস্ত পকীপথ মেৰামতিৰ দাবীত আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে ব্যতিক্ৰমী প্ৰতিবাদ সাব্যস্ত কৰে। হাতত জাকৈ-পল' লৈ যুৱ-ছাত্ৰৰ দলে মৎস্য চিকাৰ কৰি প্ৰতীকি অৰ্থত পথটৌৰ দুৰৱস্থাৰ বিষয়ে প্ৰকাশ কৰে। লক্ষণীয়, ছিপাঝাৰ সমষ্টিৰ অতিকৈ গুৰুত্বপূৰ্ণ আৰু সমানে ব্যস্ততাপূৰ্ণ পথটো হৈছে ছিপাঝাৰ কঠামাৰা-চেঙেলীয়াঝাৰ সংযোগী পকীপথ। যিটো পথৰে ছিপাঝাৰৰ পশ্চিম অঞ্চলৰ ৰাইজৰ বেপাৰ বাণিজ্য, অফিচ-কাছাৰী, স্বাস্থ্য, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ ৰাইজৰ যোগাযোগৰ মুখ্য পথ। কিন্তু আশ্চৰ্যজনক যে দুৱৰী পাৰাৰ পৰা চেঙেলীয়াঝাৰলৈ পথটো ঠাই বিশেষে পথ নে পুখুৰী ধৰিব নোৱাৰি। বিধ্বস্ত পথেৰে অঞ্চলটোৰ ৰাইজ যাতায়াত কৰিবলগীয়া হৈ অহাত যমৰ-যাতনা ভুগিবলগীয়া হৈছে। বিশেষকৈ ৰোগী আৰু ছাত্ৰ-ছাত্ৰীয়ে যাতায়াতৰ ক্ষেত্ৰত ভুগিছে যান্ত্ৰণা। আজি পথটো মেৰামতিৰ দাবীত এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ছিপাঝাৰ অঞ্চলিক সমিতিয়ে। হাতে হাতে জাকৈ প'ল লৈ পথটো মেৰামতিৰ দাবীত প্ৰতিবাদকাৰীসকলক সংগ দিয়ে অঞ্চলটোৰ একাংশ পুৰুষ-মহিলাই। উক্ত পথটি মেৰামতিৰ দাবীত ৰাজপথলৈ ওলাই আহে ৰাইজ। চৰকাৰ বিৰোধী শ্ল’গানেৰে উত্তপ্ত কৰি তোলে পৰিৱেশ। পথটোক লৈ বিভাগ আৰু সৰ্বত্ৰে উন্নয়নৰ ঢাক-ঢোল বজোৱা ছিপাঝাৰৰ বিধায়কগৰাকীৰ নাই কোনো গুৰুত্ব। বিধায়ক ড০ পৰমানন্দ ৰাজবংশীৰ ভূমিকাক লৈয়ো ক্ষোভ উজাৰে প্ৰতিবাদী যুৱ-ছাত্ৰ পৰিষদৰ নেতা-কৰ্মীয়ে। কেবাঘণ্টা প্ৰতিবাদৰ অন্তত ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে পথটি শীঘ্ৰে মেৰামতিৰ বাবে মুখ্যমন্ত্ৰী তথা লোকনিৰ্মাণ বিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

## পথৰুঘাটত ‘মাৰ নামত এজোপা গছ’ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ নাবাৰ্ডৰ

**ই-সংবাদ, দুমুনিচকী, ২২ মে':** ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক চমুকৈ নাবাৰ্ডৰ উদ্যোগত, অসম চৰকাৰৰ সামাজিক বনানীকৰণ বিভাগ আৰু স্বেচ্ছাসেৱী সংগঠন এন ই কাৰ্ডৰ সহযোগত আজি ঐতিহ্যমণ্ডিত ছিপাঝাৰৰ পথৰুঘাটৰ কৃষক শ্বহীদ উদ্যানত আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ, ‘মাৰ নামত এজোপা গছ’ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ উপলক্ষে ১০০ জোপা গছ পুলি ৰোপণ কৰা হয়। নাবাৰ্ডৰ দৰং-ওদালগুৰি জিলাৰ সহকাৰী মহা প্ৰবন্ধক গৌৰৱ কুমাৰ ভট্টাচাৰ্যৰ উপস্থিতিত মুখ্য ৰোপক হিচাপে অংশগ্ৰহণ কৰে পাথৰিঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কাবেৰী ৰংপিপিয়ে। তেওঁ ঐতিহ্যমণ্ডিত পথৰুঘাটত আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ, ‘মাৰ নামত এজোপা গছ’ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ আৰু পথৰুঘাটত এনে ধৰণৰ গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা বাবে নাবাৰ্ডক ধন্যবাদ জ্ঞাপন কৰে। এই অনুষ্ঠানত পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ চাহাবুদ্দিন আহমেদ, শিক্ষক দেৱানন্দ দাস, আলহাজ চামচুদ্দিন আহমেদ, অসম চৰকাৰৰ সমবায় বিভাগৰ দৰং জিলা উপ-পঞ্জীয়কৰ কাৰ্যালয়ৰ সহকাৰী পঞ্জীয়ক অশ্বিনী



কুমাৰ দাস, জ্যেষ্ঠ পৰিদৰ্শক মৃণাল শইকীয়া, ওদালগুৰি জিলা কৃষি বিভাগৰ মহকুমা কৃষি বিষয়া কুলেন্দ্ৰ ডেকা, এন ই কাৰ্ডৰ অধ্যক্ষ গৌতমানন্দ গোস্বামী, সাধাৰণ সম্পাদক মোৰ্তাজা গোলেন আহমেদ আদিয়ে অংশগ্ৰহণ কৰি গছ পুলি ৰোপণ কৰে। উল্লেখ্য যে প্ৰায় ১৪ বিঘা মাটিৰে আৱৰা কৃষক শ্বহীদ বাকৰিত সৌন্দৰ্য বৰ্ধনৰ বাবে এই কাৰ্যসূচীত ১০০ জোপা গছ ৰোপণ কৰা হ'ব বুলি নাবাৰ্ডৰ তৰফৰ পৰা জনোৱা হৈছে আৰু পুলি সংৰক্ষণ, পানী যোগানৰ বাবে পেলনীয়া বটলবোৰ পুনৰ ব্যৱহাৰ কৰাৰ কৌশল প্ৰথমবাৰৰ বাবে ইয়াত প্ৰয়োগ কৰা হৈছে।

## বুঢ়ীনগৰ পঞ্চায়ত কাৰ্যালয়সহ তিনি ৰাজহুৱা স্থানত চুৰি, তীব্ৰ চাঞ্চল্য

**ই-সংবাদ, দুনী, ২২ মে':** দৰঙৰ বুঢ়ীনগৰ গাঁও পঞ্চায়ত কাৰ্যালয়কে ধৰি তিনিটা ৰাজহুৱা অনুষ্ঠানত যোৱা নিশা চোৰে চলালে লুট-পাত। পঞ্চায়ত কাৰ্যালয়ৰ সৌৰ শক্তি ব্যৱস্থাৰ বেটাৰিকে ধৰি, পানী মটৰ দুটা, ইনভাৰ্টাৰৰ বেটাৰী দুটা চুৰি কৰি নিয়ে। একে নিশাই চমতীয়াপাৰাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু চমতীয়াপাৰা পানী যোগান আঁচনিত চোৰে প্ৰৱেশ কৰি বৈদ্যুতিক সা-সৰঞ্জাম চুৰি কৰি লৈ যায়। ইতিমধ্যে ঘটনা সন্দৰ্ভত পাথৰিঘাট আৰক্ষী চকীত এজাহাৰ দাখিল কৰা হৈছে। ইফালে, বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত জয়পুৰ আয়ুষ্মান আৰোগ্য মন্দিৰত চোৰে গ্ৰীলৰ তলা ভাঙি এটা পানী মটৰ চুৰি কৰি নিয়ে। কিছুদিন আগতে জয়পুৰৰে ভাবিৰাম বড়া প্ৰাথমিক বিদ্যালয়ৰ পৰা পানী মটৰ দুটা চোৰে চুৰি কৰি নিছিল। উল্লেখ্য যে, ৰাজহুৱা অনুষ্ঠানত চুৰি জনিত ঘটনা ক্ৰমাৎ বৃদ্ধি পোৱাত উদ্বিগ্নতা প্ৰকাশ কৰিছে ৰাইজে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# হিতাধিকাৰী বাচনিত অনিয়ম, জিলা আয়ুক্তক অভিযোগ

**ই-সংবাদ, খাৰুপেটীয়া, ২২ মে':** দৰং জিলাৰ দলগাঁও সমষ্টিৰ অন্তৰ্গত শ্যামটিলা গাঁও পঞ্চায়তত অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছনিত ব্যাপক অনিয়মৰ অভিযোগ উত্থাপন হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি, গাঁও পঞ্চায়তখনৰ আটাইকেইখন গাঁৱতেই যোগ্য হিতাধিকাৰীক বঞ্চিত কৰি বহু অযোগ্য লোকক বাছনি তালিকাত স্থান দিয়া হৈছে বুলি অভিযোগ উঠিছে। নৱ নিৰ্বাচিত পঞ্চায়ত সদস্যসকলে আজি পঞ্চায়ত সচিবক লিখিত অভিযোগ দাখিল কৰি ইয়াৰ প্ৰতিলিপি দলগাঁও সমজিলা আৰু দৰং জিলা আয়ুক্তলৈ প্ৰেৰণ কৰি তালিকা নিকা কৰাৰ লগতে ডিজিটাইজ নকৰিবলৈ অনুৰোধ জনায়।

# সৃজনগ্ৰাম শিক্ষা খণ্ডত এজাক বৰষুণতে জলমগ্ন বিদ্যালয়

**ই-সংবাদ, অভয়াপুৰী, ২২ মে':** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ সিদলসতী মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত ২৫৩ নং বালাজানী প্ৰাথমিক বিদ্যালয়খনৰ চৌহদ এজাক বৰষুণৰ ফলত সম্পূৰ্ণৰূপে জলমগ্ন হৈ পৰে। বিদ্যালয়খনৰ চৌহদত বৰষুণৰ পানী জমা হৈ পৰাৰ ফলত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ঠ অসুবিধাৰ সন্মুখীন হয়। উল্লেখ্য যে, বিদ্যালয়খনৰ একেটা চৌহদৰ ভিতৰতে মাণিকপুৰ শিক্ষাখণ্ডৰ অধীনস্থ জাবাগুৰি নৱনুৰ মধ্য ইংৰাজী বিদ্যালয়খনো অৱস্থিত। বৰষুণৰ ফলত বিদ্যালয় দুখনৰ চৌহদত পানীৰে উপচি পৰা সময়তে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত উপস্থিত হয় যদিও পাঠদান কাৰ্যত কিছু পৰিমাণে বিঘ্নিত হোৱা বুলি জানিব পৰা গৈছে। এনে পৰিস্থিতিৰ মাজতে ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰস্তুত কৰা মধ্যাহ্ন ভোজন পৰিৱেশন কৰা হয়। স্থানীয় লোকে জানিবলৈ দিয়া মতে, বিদ্যালয়খনৰ চাৰিওফালে স্থানীয় একাংশ লোকে নিজৰ ঘৰৰ ভেটি প্ৰয়োজনতকৈ অধিক ওখ কৰাৰ লগতে বিদ্যালয় সংলগ্ন পথৰ উচ্চতাৰ বাবে বৰষুণৰ পানী স্বাভাৱিকভাৱে ওলাই যাব নোৱাৰে। ফলস্বৰূপে, সামান্য বৰষুণ হ'লেও বিদ্যালয় দুখনৰ চৌহদত পানী জমা হোৱাৰ ঘটনা সাধাৰণ হৈ পৰিছে। এই ক্ষেত্ৰত শিক্ষক আৰু অভিভাৱকৰ মাজত উদ্বেগৰ সৃষ্টি হৈছে। এনে পৰিস্থিতিয়ে শৈক্ষিক পৰিৱেশ বিঘ্নিত কৰা পৰিলক্ষিত হৈছে। বিভাগীয় কৰ্তৃপক্ষক অতিশীঘ্ৰেই এনে সমস্যা সমাধানৰ ক্ষেত্ৰত যথাযথ ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰিছে সচেতন মহলে।

# উত্তৰ ৰায়পুৰ তৃতীয় খণ্ড গাঁৱত যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ৰাইজৰ

**ই-সংবাদ, গোলকগঞ্জ, ২২ মে':** ধুবুৰী জিলাৰ গোলকগঞ্জ উন্নয়ন খণ্ডৰ অন্তৰ্গত বিচনদৈ গাঁও পঞ্চায়তৰ উত্তৰ ৰায়পুৰ তৃতীয় খণ্ড গাঁৱত এজাক বৰষুণ দিলেই পথত একাঁঠু পানী জমা হোৱা ঘটনাই পঞ্চায়তখনৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে। জানিব পৰা মতে, বিগত পঞ্চায়তৰ কাৰ্যকালত বিচনদৈ গাঁও পঞ্চায়তৰ সাত নম্বৰ ৱাৰ্ডত কোনো উন্নয়নমূলক কাম হোৱা নাই। অকল বিগত কাৰ্যকালে নহয় তাৰ পূৰ্বৰ কাৰ্যকালসমূহতো প্ৰয়োজনীয় কাম নোহোৱাৰ বাবেই পথটো খেতি পথাৰৰ লগত বিলীন হৈ পৰিছে। তদুপৰি একাংশ লোকে হকে বিহকে মাটি তুলি ঘৰ নিৰ্মাণ কৰাত পানী নিষ্কাশন বন্ধ হৈ পৰিছে। অবৈধভাৱে ঘৰ নিৰ্মাণ কৰি পানী যোৱাত বাধাৰ সৃষ্টি কৰাৰ বাবে সম্প্ৰতি এজাক বৰষুণ দিলেই পথটোত একাঁঠু পানী জমা হয়। পথটোত পানী জমা হোৱাৰ বাবে সাধাৰণ ৰাইজৰ বাবে চলাচল কৰা দুৰ্বিসহ হৈ পৰিছে। পানীৰ বাবে ঘৰৰ পৰা যান-বাহন বাহিৰ কৰিব নোৱাৰা অৱস্থা হৈ পৰিছে। বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলে স্কুললৈ যাওঁতে যমৰ যাতনা ভোগ কৰিব লগা হৈছে। এই ক্ষেত্ৰত খবৰ ল'বলৈ সময় নাই গোলকগঞ্জ সমষ্টিৰ বিধায়ক আব্দুছ ছোৱাহান আলী সৰকাৰৰ। সমষ্টি পুনঃ নিৰ্ধাৰণৰ পিছত বৰ্তমানৰ বিধায়কগৰাকী গৌৰীপুৰ সমষ্টিত অন্তৰ্ভুক্ত হোৱাত নিজ গোলকগঞ্জ সমষ্টিৰ উন্নয়নৰ খবৰ ল'বলৈ এৰি দিয়া বুলি অভিযোগ উত্থাপিত হৈছে। আনহাতে, নিজ কাৰ্যকালত ৱাৰ্ডটোৰ উন্নয়নত পিঠি দিয়া বিচনদৈ গাঁও পঞ্চায়তৰ সভাপতি মালতী বালা ৰায় এইবাৰ আকৌ জিলা পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হৈছে। ৱাৰ্ডটোৰ উন্নয়নত তেওঁ যে গুৰুত্ব দিব তাক লৈ গাঁওবাসী যথেষ্ট সন্দিহান হৈ পৰিছে। সেয়ে জিলা প্ৰশাসনক পথটো যাতায়াতৰ ক্ষেত্ৰত সুচল কৰাৰ দাবী জনাইছে ৰাইজে।

# মৰনৈত সন্ধানহীন মেধাৱী ছাত্ৰৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, শিমলীতোলা, ২২ মে':** গোৱালপাৰা জিলাৰ দুধনৈ নৈত সন্ধানহীন হৈ থকা কিশোৰৰ অৱশেষত পানীত ওপঙি থকা অৱস্থাত মৃতদেহ উদ্ধাৰ কৰে স্থানীয় ৰাইজে। মঙলবাৰে দুধনৈ নৈৰ বুকুত সন্ধানহীন হৈ থকা মাটিয়া গাৰোপাৰাৰ কিশোৰ ক্ৰুছফিল্ড চাংমাৰ মৃতদেহ আজি মৰনৈত উদ্ধাৰ হয়। উল্লেখ্য যে মঙলবাৰে বিয়লি কেইজনমান লগৰীয়াৰ সৈতে দুধনৈ নৈত মাছ ধৰিবলৈ গৈ সন্ধিয়া ঘৰলৈ ওভতাৰ পথত দুধনৈ নৈৰ পানী বৃদ্ধি পোৱাৰ ফলত পানীৰ কোবাল সোঁতে উটুৱাই নিয়ে ১৬ বছৰীয়া দশম শ্ৰেণীৰ মেধাৱী ছাত্ৰজনক। ঘটনাৰ পিছৰে পৰা মাটিয়া আৰক্ষীৰ সহযোগত SDRF বাহিনীৰ দল ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান চলায় যদিও উদ্ধাৰ কৰিবলৈ সক্ষম নহয়। অৱশেষত আজি তিনি দিন পিছত মৰনৈ থানৰ অন্তৰ্গত ডাকাইদল পাৰঘাটত পুৱাৰ ভাগত দুধনৈ-কৃষ্ণাই নৈৰ পানীত ওপঙি থকা অৱস্থাত স্থানীয় লোকে প্ৰত্যক্ষ কৰে। ঘটনাস্থলীত আৰক্ষী দল উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি তদন্ত অব্যাহত ৰাখিছে। মৃতদেহ উদ্ধাৰ পিছতে কান্দোনত ভাঙি পৰে পৰিয়াল লোক।

# চুতীয়াকাৰী বৰ নামঘৰৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে উদযাপন সমিতি গঠন

**ই-সংবাদ, সোৱণশিৰি, ২২ মে:** ঢকুৱাখনা সীমান্তৰ ধেমাজি জিলাৰ বৰদৈবাম চুতীয়াকাৰী গাঁৱত ১৮৭৩ চনত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ অমূল্য সৃষ্টিৰাজি বৰ নামঘৰ প্ৰতিষ্ঠা হৈছিল চিৰ নমস্য ব্যক্তি সকলৰ ঐকান্তিক প্ৰচেষ্টাত। চুতীয়াকাৰী সমাজক সকলো দিশতে একত্ৰিত কৰি ৰখা মহৎ অনুষ্ঠান "চুতীয়াকাৰী বৰ নামঘৰে" এই বৰ্ষত ১৫০ টা বৰ্ষ গৰকিব। সেই হেতুকে বৃহত্তৰ চুতীয়াকাৰী গাঁৱৰ ৰাইজে অহা ২৪, ২৫ আৰু ২৬ অক্টোবৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চুতীয়াকাৰী বৰ নামঘৰৰ ১৫০ বছৰীয়া জয়ন্তীৰ সামৰণি অনুষ্ঠান আয়োজনৰ দিহা কৰিছে।এই উপলক্ষে মুখ্য উপদেষ্টা হিচাবে পূৰ্ণকান্ত চুতীয়া,সভাপতি -অৰুণ তামুলী,কাৰ্যকৰী সভাপতি - ৰাজেন (সত্য) চুতীয়া আৰু মুখ্য সম্পাদক - হীৰেন চুতীয়াক লৈ এখনি শক্তিশালী উদযাপন সমিতি আজি গঠন কৰে। উক্ত অনুষ্ঠানটি সফলতাৰ বাবে তিনিওদিনতে ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# নামনি মাজুলীত মহিলা সবলীকৰণ সন্দৰ্ভত ৰাজহুৱা সভাৰ আয়োজন

**ই-সংবাদ বিশেষ, মাজুলী, ২২ মে':** স্বেচ্ছাসেৱী সংগঠন সাতসৰী আশাপূৰ্ণা সমিতিৰ ৰাজ্যিক সমিতিৰ উদ্যোগত অহা ২৫ মে'ত নামনি মাজুলীত এখন ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছে। নামনি মাজুলীৰ গোৱালগাঁও তৰুণ নাট্য সমাজৰ প্ৰেক্ষাগৃহত সেইদিনা দুপৰীয়া এঘাৰ বজাৰ পৰা আৰম্ভ হ'বলগীয়া উক্ত সভাত মহিলা সবলীকৰণৰ ওপৰত বিশেষ বক্তৃতা প্ৰদান কৰা হ'ব। উক্ত অনুষ্ঠানত চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা নামনি মাজুলীৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হ'ব। উক্ত অনুষ্ঠানত নামনি মাজুলীৰ আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ মহিলাসকলক জীৱন জীৱিকা আঁচনিৰ জৰিয়তে সূতা প্ৰদান কৰা হ'ব। অনুষ্ঠানত সাতসৰী আশাপূৰ্ণা সমিতিৰ ৰাজ্যিক সভানেত্ৰী ড০ মন্দিৰা বৰুৱা, মইনা পাত্ৰ, মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, বিশিষ্ট মহিলা সংগঠক ৰেণুমালা দত্ত, মিনতি শইকীয়া আদিয়ে অংশগ্ৰহণ কৰিব।

# কলগাছিয়াত কণীযুক্ত মাছ নিধনৰ ফলত হ্ৰাস পাইছে থলুৱা প্ৰজাতিৰ মাছ

**ই-সংবাদ, কলগাছিয়া, ২২ মে':** বৰপেটা জিলাৰ কলগাছিয়াত কণীযুক্ত মাছেৰে উভৈনদী হৈ পৰিছে মাছৰ বজাৰ। থলুৱা মাছৰ সংৰক্ষণৰ প্ৰতি লক্ষ্য ৰাখি মীন বিভাগে থলুৱা মাছ ধৰাৰ ক্ষেত্ৰত কিছু নিৰ্দেশনা জাৰি কৰিছে যদিও বৃহত্তৰ কলগাছিয়া অঞ্চলত মৎস্য চিকাৰী আৰু একাংশ ব্যৱসায়ীয়ে চৰকাৰৰ নিৰ্দেশনাক বুঢ়া আঙুলি দেখুৱাই নিৰ্বিঘ্নে চলাইছে মাছ নিধন কাৰ্য। মীন বিভাগৰ নিৰ্দেশনাক ভেঙুচালি কৰি কলগাছিয়া, জনীয়া, বালিকুৰি, মইনবৰী, লাংলা আদিৰ এচাম মাছমৰীয়াই দিনে-নিশাই কণী থকা থলুৱা প্ৰজাতিৰ মাছৰ লগতে অন্যান্য মাছ মাৰি বিভিন্ন বজাৰত মুকলিকৈ বিক্ৰী কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, এপ্ৰিল মাহৰ পৰা জুলাই-আগষ্ট মাহলৈ মাছৰ কণী হয় বাবে মাছৰ উৎপাদন বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি মীন বিভাগে সেই সময়খিনিত খাল, বিল, জলাশয় আদিত মাছ ধৰাটো নিষিদ্ধ কৰি নিৰ্দেশনা জাৰি কৰে। ঘন পাহিৰ জাল তথা অন্যান্য মাছ ধৰা সঁজুলি ব্যৱহাৰ কৰি মাছ ধৰাটো মীন বিভাগে কঠোৰভাৱে বন্ধ কৰিছে, যাতে মাছৰ পোনা নষ্ট নহয়। কিন্তু বৃহত্তৰ কলগাছিয়াত একাংশ অসাধু লোকে অনায়াসে খাল, বিল, জলাশয় আদি বিভিন্ন ঠাইত কণী থকা আৰু পোনা মাছ মাৰি ৰমৰমীয়া বেহা চলাই গৈছে। অনবৰতে কণী থকা মাছ মাৰি থকাৰ বাবে সম্প্ৰতি কলগাছিয়াত থলুৱা প্ৰজাতিৰ মাছৰ উৎপাদন দিনক দিনে হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। আনহাতে, মীন বিভাগে থলুৱা প্ৰজাতিৰ কণী থকা মাছ ধৰাটো নিষিদ্ধ বুলি নিৰ্দেশনা জাৰি কৰিয়ে দায়িত্ব সামৰিছে। চিকনী, টাপাজুলি, কলগাছিয়া, কাচুকাটি, মইনবৰী, লাংলা, জনীয়া, খাৰবাল্লী, শিতুলী, কাদং, জাউৰীমাৰী, চতলা, জয়পুৰ ছিকাটাৰী আদি বিভিন্ন ঠাইত মাছমৰীয়াই দিনে-নিশাই কণী থকা মাছ মাৰি থকাৰ পিছতো বৰপেটা জিলা মীন বিভাগে কোনো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা নাই। কাৰ্যালয়তে বহি চৰকাৰী দৰমহা ভোগ কৰি থকা জিলা মীন বিভাগে কলগাছিয়াত থলুৱা প্ৰজাতিৰ মাছ ধৰা মাছমৰীয়াৰ বিৰুদ্ধে কোনো শাস্তিমূলক ব্যৱস্থা নোলোৱাত সচেতন লোকৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মীন বিভাগৰ চৰম অৱহেলাৰ বাবে থলুৱা প্ৰজাতিৰ মাছৰ উৎপাদন হ্ৰাস পোৱাটো প্ৰধান কাৰণ বুলি মত প্ৰকাশ কৰিছে। এসময়ত থলুৱা মাছেৰে উভৈনদী হৈ পৰা কলগাছিয়াত সম্প্ৰতি ৰাইজে থলুৱা মাছৰ অভাৱত ঘৰতে বায়োফ্লক পদ্ধতিৰে উৎপাদন কৰা ৰাসায়নিক দ্ৰব্যযুক্ত হাইব্ৰিড মাছ খাই তৃপ্তি নিবাৰণ কৰিবলগীয়া হৈছে।

# দৰঙত পশু-চিকিৎসা সেৱা উন্নত কৰাৰ দাবী আছুৰ

**ই-সংবাদ, দুনী, ২২ মে':** দৰঙৰ পশ্চিমাঞ্চলত পশুপালন আৰু পশু চিকিৎসা ক্ষেত্ৰখনত মূলতঃ চিকিৎসক-কৰ্মচাৰীৰ অভাৱ, আন্তঃগাঁথনিৰ দুৰৱস্থাই বাধাগ্ৰস্ত কৰিছে চিকিৎসা সেৱাৰ ব্যৱস্থা। অঞ্চলটোৰ অৰ্থনীতি ঘাইকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল। শেহতীয়াভাৱে পশুধনৰ প্ৰতিপালনত গুৰুত্ব দিছে একাংশ ব্যক্তিয়ে। কিন্তু পশু চিকিৎসা সেৱা ক্ষেত্ৰৰ সমস্যাৰ বাবে পশুধনৰ সংৰক্ষণ আৰু প্ৰতিপালনত দিহা পৰামৰ্শ চিকিৎসা সেৱাৰ পৰা বঞ্চিত হৈ আহিছে। পশ্চিম দৰঙৰ প্ৰায় ৬২ খন গাঁৱৰ বিপৰীতে মাত্ৰ এখন পশু চিকিৎসালয়। ১৯৬৪ চনত স্থাপিত দুনী ৰাজ্যিক পশু চিকিৎসালয়ৰ আন্তঃগাৰ্থনি পুতৌজনক। এজন মাত্ৰ চিকিৎসক। তাকো চৌহদত থকাৰ নাই কোনো ব্যৱস্থা। উন্নত চিকিৎসা সঁজুলিৰ অভাৱ চিকিৎসালয়খনত। একেদৰে হেঙালপাৰা আৰু জয়ন্তীপুৰ পশু চিকিৎসা উপ-কেন্দ্ৰটোৰো অন্তহীন সমস্যা। কাগজে-পত্ৰে জয়ন্তীপুৰ পশু চিকিৎসা উপ-কেন্দ্ৰক ৰাজ্যিক চিকিৎসালয়লৈ উন্নীত কৰা হ'ল যদিও কাৰ্যত সেয়াও শূন্য। নাই চিকিৎসক, ভি এফ এৰ ওপৰত নিৰ্ভৰশীল ৰাইজ। পশু চিকিৎসা সেৱা ক্ষেত্ৰৰ সমস্যা আৰু দুৰৱস্থা সন্দৰ্ভত শেহতীয়াভাৱে সৰৱ হৈ পৰিছে পশ্চিম দৰং আঞ্চলিক ছাত্ৰ সন্থা। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত সন্থাৰ সভাপতি নয়নমণি কলিতা আৰু সম্পাদক হিৰক জ্যোতি বৰুৱাই পশ্চিম দৰঙৰ পশু চিকিৎসা সেৱা ক্ষেত্ৰৰ সমস্যাসমূহ চিনাক্ত কৰি চিকিৎসালখনৰ আন্তঃগাঁথনি উন্নত কৰাৰ দাবী জনাইছে। প্ৰয়োজনীয় চিকিৎসক, কৰ্মচাৰী নিযুক্তি দিয়াৰ লগতে উন্নত চিকিৎসা সঁজুলি সংস্থাপনৰ দাবী জনাইছে। দৰং-ওদালগুৰি জিলাৰ সীমামূৰীয়া আঙ্কেৰীঘাটত এখন পূৰ্ণাংগ পশু চিকিৎসালয় স্থাপনৰ দাবী জনোৱাৰ লগতে জয়ন্তীপুৰত ৰাজ্যিক পশু চিকিৎসালয়ৰ সা-সুবিধা উপলব্ধ কৰি চিকিৎসক নিযুক্ত কৰিবলৈ দাবী উত্থাপন কৰিছে। উল্লেখ্য যে পশু চিকিৎসা সেৱাৰ সমস্যা আৰু প্ৰতিকূলতা নেওচি পশ্চিম দৰঙৰ একাংশ শিক্ষিত যুৱক-যুৱতীয়ে কৃষি কৰ্মত মনোনিৱেশ কৰাৰ উপৰি দুগ্ধ উৎপাদনৰ কাৰণে জাৰ্চি পালন, মাংস উৎপাদনৰ প্ৰতি লক্ষ্য ৰাখি গাহৰি পালন, ছাগলী পালন কৰি আশা ব্যঞ্জক সফলতা লাভ কৰা পৰিলক্ষিত হৈছে। কিন্তু উন্নত পশু চিকিৎসা সেৱাৰ সা-সুবিধাৰ অভাৱে চিকিৎসা সেৱা বাধাগ্ৰস্ত কৰিছে। সেয়ে পশ্চিম দৰঙৰ পশু চিকিৎসা সেৱা ক্ষেত্ৰখনৰ উন্নয়নৰ দাবী জনাইছে ছাত্ৰ সন্থাই।

# ধুৰকুছিৰ সিদ্ধি শৰ্মা হাইস্কুলত শৈক্ষিক আলোচনা সভা সম্পন্ন

**ই-সংবাদ, নলবাৰী, ২২ মে':** ধুৰকুছিত অৱস্থিত সিদ্ধিনাথ শৰ্মা হাইস্কুলত আজি দিনৰ ১.৩০ বজাৰ পৰা এখন গুৰুত্বপূৰ্ণ শৈক্ষিক সভা অনুষ্ঠিত হয়। সভাখনত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি তথা লেখক সুভাষ বৰ্মনে শিক্ষকসকলক চৰকাৰী নীতি-নিয়ম আন্তৰিকতাৰে পালন কৰিবলৈ আহ্বান জনায়। সাপ্তাহিক প্লেনাৰ আৰু ট্ৰেকাৰৰ নিখুঁত ব্যৱহাৰৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। ১নং দতৰা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক অৰূপজ্যোতি দাসৰ অধ্যক্ষতাত সভাখন অনুষ্ঠিত হয়। ধমধমা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক পংকজ দাসে শিক্ষকসকলৰ সন্মুখত ট্ৰেকাৰ আৰু প্লেনাৰৰ সঠিক ব্যৱহাৰৰ বিষয়ে বিস্তাৰিত আলোচনা আগবঢ়োৱাৰ লগতে শিক্ষকসকলে প্লেনাৰৰ সন্দৰ্ভত তুলি ধৰা প্ৰশ্নসমূহৰো সন্তোষজনক উত্তৰ দিয়ে। এই সভাখনতে বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰে জড়িত শিক্ষণ-শিকন সামগ্ৰী, মৌচাক আদিৰ ব্যৱহাৰ সন্দৰ্ভতো পুনৰীক্ষণ কৰা হয়। বিদ্যালয় ছুটীৰ পাছত এনে গুৰুত্বপূৰ্ণ সভা আয়োজন কৰাৰ বাবে জিলা প্ৰাথমিক শিক্ষা বিষয়া সীমান্ত কুমাৰ ডেকা আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সমীন বৈশ্যই সংশ্লিষ্ট সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# হাতত চেনিটাইজাৰ লৈ কৰমৰ্দন নীতা আম্বানীৰ

**মুম্বাই, ২২ মে':** ধাৰাবাহিক প্ৰদৰ্শনেৰে আই পি এল প্লে অফত স্থান নিশ্চিত কৰিছে মুম্বাই ইণ্ডিয়ানে। ১৮ সংখ্যক আই পি এলত দিল্লী কেপিটেলছক হৰুৱাই প্লে অফত স্থান নিশ্চিত কৰাৰ পিছতো মুম্বাই ইণ্ডিয়ানছৰ খেলুৱৈ-অনুৰাগীৰ মাজত উঠে উল্লাসৰ জোৱাৰ। কিন্তু সেই সময়তে দলৰ স্বত্বাধিকাৰী নীতা আম্বানীৰ এক কাৰ্যই বিতৰ্কৰ সূচনা কৰিছে ক্ৰিকেট মহলত। খেলখনৰ অন্তত বুমৰাহ আৰু কৰ্ণ শৰ্মাকে ধৰি মুম্বাই ইণ্ডিয়ানছৰ ক্ৰিকেটাৰসকলে যেতিয়া নীতা আম্বানীৰ সৈতে কৰমৰ্দন কৰিবলৈ আগবাঢ়ে সেই সময়ত খেলুৱৈসকলক প্ৰথমে চেনিটাইজাৰ লগাই হাত পৰিষ্কাৰ কৰিবলৈ দিয়া দেখা যায় নীতা আম্বানীক। খেলুৱৈসকলে চেনিটাইজাৰ লগোৱাৰ পিছতহে তেওঁ কৰমৰ্দন কৰিবলৈ হাত আগবঢ়ায় দিয়ে। নীতাৰ এনে আচৰণক লৈ সামাজিক মাধ্যমত এতিয়া মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। একাংশৰ মতে, মহাৰাষ্ট্ৰকে ধৰি বিভিন্ন ৰাজ্যত ক'ভিড ভাইৰাছ পুনৰ উত্থাপিত হোৱাৰ পৰিপ্ৰেক্ষিতত নীতা আম্বানীয়ে এনে স্বাস্থ্য সচেতনতাৰ পদক্ষেপ গ্ৰহণ কৰিছে। কিন্তু একাংশই এনে কাৰ্যৰে খেলুৱৈসকলক তুচ্ছজ্ঞান কৰি হৈছে বুলিও অভিযোগ তুলিছে। কিন্তু লক্ষ্যণীয়ভাৱে, দিল্লী বনাম মুম্বাইৰ মেচৰ অন্তত দীপক চহৰক চেনিটাইজাৰৰ বটল লৈ পথাৰত ঘূৰি ফুৰা দেখা যায়। মুম্বাইৰ অধিনায়ক হাৰ্দিক পাণ্ডিয়াইও ফিল্ড ষ্টাফৰ সৈতে হেণ্ডচেক এৰাই চলা পৰিলক্ষিত হয়। এই সকলোবোৰে যেন ইংগিত দিয়ে যে উৎসৱ হ'লেও এতিয়াও সজাগতাৰ কথা পাহৰি যোৱাৰ সময় হোৱা নাই।



আইপিএল ২০২৫: গুজৰাটৰ বিৰুদ্ধে দৰ্শনীয় শতক অৰ্জন লক্ষ্ণৌৰ মিশ্বেল মাৰ্চৰ



আইপিএল ২০২৫: লক্ষ্ণৌ চুপাৰ জায়েণ্টৰ বিৰুদ্ধে উইকেট দখলৰ পিছত উদযাপন গুজৰাটৰ সাই কিশোৰৰ

## ভাৰত-পাকিস্তান সংঘাতত প্ৰভাৱিত দুই জেভেলিন তাৰকাৰ সম্পৰ্ক

# সম্পৰ্ক ছেদ কৰিছিল নীৰজ চোপ্ৰাই, এইবাৰ প্ৰত্যুত্তৰ দিলে আৰ্ছাদে

**নতুন দিল্লী, ২২ মে':** এসময়ত তেওঁলোক আছিল 'ভাল বন্ধু'। ক্ৰীড়াৰ জৰিয়তে এক সন্মানজনক সম্পৰ্ক গঢ় লৈ উঠিছিল দুয়োৰে মাজত। ভাৰতীয় জেভেলিন তাৰকা নীৰজ চোপ্ৰা আৰু পাকিস্তানী স্বৰ্ণ পদক বিজয়ী আৰ্ছাদ নদীম দুয়োজনে ইজনে সিজনক নিজ নিজ দেশলৈ নিমন্ত্ৰণ জনাইছিল। কিন্তু পেহেলগামত সংঘটিত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত এই জটিল সম্পৰ্ক উন্মোচিত হৈছে আৰু যুদ্ধৰ বাস্তৱতাও পোহৰলৈ আহিছে। নীৰজ চোপ্ৰাই স্পষ্টকৈ উল্লেখ কৰিছে যে আৰ্ছাদৰ সৈতে তেওঁৰ আৰু কোনো সম্পৰ্ক নাই। এইবাৰ উত্তৰত মুখ খুলিছে আৰ্ছাদেও। সন্ত্ৰাসবাদী আক্ৰমণৰ পূৰ্বে নীৰজে পাকিস্তানী জেভেলিন থ্ৰ'ৱাৰ আৰ্ছাদ নদীমক তেওঁৰ নামত আয়োজন কৰা প্ৰতিযোগিতালৈ আমন্ত্ৰণ জনাইছিল। কিন্তু পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত সমগ্ৰ দেশতে নীৰজৰ এই সিদ্ধান্তক তীব্ৰ সমালোচনা কৰা হয়। পৰিস্থিতি উত্তপ্ত হৈ অহাৰ লগে লগে নীৰজে ভাৰতীয় সেনাৰ কাষত থিয় হৈ স্পষ্ট ভাষাত কয়, "যি সম্পৰ্ক নাথাকক কিয়, এতিয়া আৰু নাথাকিব।" এই পৰিস্থিতিত আৰ্ছাদক এই সন্দৰ্ভত সোধাত তেওঁ ৰাজনৈতিক কুটিলতাৰ পৰা আঁতৰি কয়, "ভাৰতৰ সৈতে হোৱা সংঘাতৰ মাজতে নীৰজৰ বিষয়ে মই কোনো মন্তব্য দিব নিবিচাৰো। মই এজন গাঁৱৰ ল'ৰা। মই মাত্ৰ এইটোৰেই ক'ব পাৰো - মই আৰু মোৰ পৰিয়াল দেশৰ সেনাবাহিনীৰ লগত আছো।" যদিও সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ত তেওঁ মৌন হৈ আছিল, তথাপিও সংঘাতৰ মাজতে পাকিস্তানৰ পতাকা লৈ আৰ্ছাদে "পাকিস্তান জিন্দাবাদ" বাৰ্তা প্ৰদান কৰে। সেই পোষ্টটো দেখি ক্ষোভ প্ৰকাশ কৰে নীৰজে। তেওঁ কয়, "আৰ্ছাদৰ সৈতে মোৰ কেতিয়াও ঘনিষ্ঠ সম্পৰ্ক নাছিল। খেলুৱৈ হিচাপে আমি কেতিয়াবা কথা পাতিছিলো। কিন্তু সেয়া আছিল ভদ্ৰ আৰু ক্ৰীড়াৰ পৰিসৰত সীমাবদ্ধ।" নীৰজে লগতে কয় যে, "জেভেলিন নিক্ষেপ কৰিব পৰা খেলুৱৈ বহুত নাই। গতিকে আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানত লগ হ'লে কথা পাতিব পাৰিম। কিন্তু সেই সম্পৰ্ক আগৰ দৰে নহ'ব। দেশৰ বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিলে সেয়া সম্ভৱ নহয়।"

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি